# ৫.০ পঞ্চম অধ্যায়
# লোক-সাহিত্য

### ৫.১ লোক-সাহিত্য ঃ

লোক-সংস্কৃতিৰ এটি অন্যতম ভাগ হৈছে লোক-সাহিত্য। লোক বা জনসাধাৰণৰ মাজত পৰম্পৰাগতভাৱে চলি অহা বিভিন্ন ধৰণৰ গীত-মাত, আখ্যান, সাধুকথা, প্ৰৱচন, লোকভাষা আদিৰ সমষ্টিয়েই হৈছে লোক-সাহিত্য। লোক-সাহিত্যসমূহ জনসাধাৰণৰ মুখে-মুখে চলি আহিছিল কাৰণে ইয়াক বাচিক কলা (Verbal art) বুলিও কোৱা হয়। লোক-সাহিত্যসমূহ সাধাৰণতে ব্যক্তি নিৰপেক্ষ ৰচনা। মৌখিকভাৱে ইয়াৰ জন্ম আৰু মুখ পৰম্পৰাৰ মাজেৰে ই প্ৰৱাহমান হৈ থাকে। লোক-সাহিত্যসমূহ ব্যক্তি বিশেষৰ মনোৰঞ্জনৰ কাৰণে ৰচনা কৰা নহয়। তদুপৰি ব্যক্তি বিশেষৰ কল্পনা প্ৰসূতও নহয়। এই সাহিত্যসমূহ সমাজৰ উমৈহতীয়া সৃষ্টি। এক অৰ্থত কবলৈ গলে লোক-সাহিত্য হৈছে -
"সমাজৰ সৰ্বজনৰ ভাব, চিন্তা আৰু কল্পনাৰ মিলনতীৰ্থ, সমগ্ৰ সমাজৰ আনন্দ বিনোদনৰ কলাক্ষেত্ৰ"।[৬৮]
যুগ-যুগ ধৰি লোক-সাহিত্যসমূহ জনসাধাৰণৰ মুখে-মুখে প্ৰৱাহমান হৈ আহিছে। সেয়েহে ইয়াক মৌখিক সাহিত্য বুলিও কয়। অনাখৰী আদিম লোক সমাজৰ আশা-আকাংক্ষা, সুখ-দুখ, বুদ্ধিমত্তা আদিৰ বৰ্হিপ্ৰকাশ ঘটে এই মৌখিক বা লোক-সাহিত্যৰ মাজেৰে। প্ৰকৃতিৰ বিভিন্ন বস্তুৱে আদিম সমাজক কেতিয়াবা দুখ দিছিল, কেতিয়াবা সুখ দিছিল। কেতিয়াবা আকৌ প্ৰকৃতিৰ বিভিন্ন বস্তু দেখি আতংকিতও হৈ পৰিছিল। সেইদৰে প্ৰকৃতিৰ বিভিন্ন পৰিৱেশে আদিম লোক-সমাজৰ অন্তৰত প্ৰেম-পিৰিতিৰ ভাৱো জগাই তুলিছিল। এই বিভিন্ন অনুভৱবোৰৰ কাৰণে লোক-সমাজত সৃষ্টি হৈছিল লোক-সাহিত্য বা মৌখিক সাহিত্যসমূহৰ। লোক-সাহিত্যৰ গাত ভেজা দিয়ে এটা জাতিয়ে ভৱিষ্যতৰ সোণালী পথত অগ্ৰসৰ হয়। এটা জাতিৰ লোক-সাহিত্যসমূহ যিমানে চহকী হব সিমানে জাতিটো বিশ্বত জিলিকি ৰ'ব। এই ক্ষেত্ৰত কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ বক্তব্য প্ৰণিধানযোগ্য -

---

৬৮। বৰুৱা, বিৰিঞ্চি কুমাৰ ঃ *অসমৰ লোক-সংস্কৃতি*, পৃ. ৩৮


"শিপাই যেনেকৈ মাটিৰ তলত থাকি গছৰ পত্ৰে-পুষ্পে সুশোভিত কৰি ৰাখে,সেইদৰে সকলো দেশৰ সাহিত্যৰ মূলভাগ লোকজীৱনৰ মাটিৰ তলত ঢাক খাই সজীৱ হৈ থাকে" [৬৯]

লোক-সাহিত্য বা মৌখিক সাহিত্য বুজাবলৈ অলিখিত সাহিত্য (Unwritten Literature), পৰম্পৰাগত মৌখিক উপক্ৰম (Traditional Oral Process), জনপ্ৰিয় সাহিত্য (Popular Literature), আদিম সাহিত্য (Primitive Literature) ইত্যাদি বিভিন্ন নাম ব্যৱহাৰ কৰা হয়। লোক-সাহিত্যৰ শ্ৰেণীবিভাজন বিভিন্নগৰাকী লোক-সংস্কৃতিবিদ তথা ভাষাবিদে বিভিন্ন ধৰণে কৰিছে। ড° নবীন চন্দ্ৰ শৰ্মাই 'অসমীয়া লোক-সংস্কৃতিৰ আভাস' নামাৰ গ্ৰন্থখনত লোক-সাহিত্যৰ ভিতৰত "লোক-কবিতা, লোক-কাহিনী, লোকোক্তি, লোক-ভাষা"ক অৰ্ন্তভূক্ত কৰিছে। 'অসমীয়া সাহিত্যৰ ইতিবৃত্ত'ত সত্যেন্দ্ৰ নাথ শৰ্মাই লোক-সাহিত্যক এনেদৰে ভগাইছে - লোকগীত, ফঁকৰা-যোজনা আৰু প্ৰবচন, সাধুকথা। সেইদৰে মহেশ্বৰ নেওগদেৱে অসমীয়া সাহিত্যৰ ৰূপৰেখাত 'লোক-সাহিত্য'ক গীতি-সাহিত্য, সাধুকথা, মন্ত্ৰ, প্ৰবচন, ফঁকৰা-যোজনা আৰু সাঁথৰ, ডাকৰ বচন আদি ভাগত ভাগ কৰিছে।

"লোক-সংস্কৃতিবিদ প্ৰফুল্ল কুমাৰ নাথে অসমীয়া লোক-সাহিত্যক তলত দিয়া ধৰণে ভাগ কৰিছে।" [৭০]

৬৯। বৰুৱা, বিৰিঞ্চি কুমাৰ ঃ *উক্ত গ্ৰন্থ*, পৃ. ৩৮

৭০। নাথ, প্ৰফুল্ল কুমাৰ কুমাৰ ঃ *অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ ৰূপৰেখা*, পৃ. ২৫৩


লোক সাহিত্য
লোকগীত
লোককথা
সাধুকথা
অনুষ্ঠানমূলক
আখ্যানমূলক
বিবিধ বিষয়ক গীত
সাঁথৰ
ফঁকৰা-যোজনা
পটন্তৰ
ঐতিহাসিক
জনশ্ৰুতিমূলকত
কাল্পনিক
বিহুগীত, বিয়ানাম, আইনাম, লখিমী সবাহৰ গীত, ভেকুলী বিয়া, মহহো গীত।
নাহৰৰ গীত, জয়মতী কুৱৰীৰ গীত, বদন বৰফুকনৰ গীত, চিকন সৰিয়হৰ গীত, মনিৰাম দেৱানৰ গীত, গৌৰীনাথ সিংহৰ গীত।
ফুলকোঁৱৰৰ গীত, মনিকোঁৱৰৰ গীত, জনগাভৰুৰ গীত, মইনাামতীৰ গীত, গোপীচন্দ্ৰৰ গীত।
মধুমতীৰ গীত, বাৰমাহীৰ গীত, জুনা
ধাইনাম, নিচুকনী গীত, খেল-ধেমালিৰ গীত, নাওঁখেলৰ গীত, সদাশিৱৰ গীত, মন্ত্ৰ সংহিতা, ডাকৰ বচন, দেহবিচাৰৰ গীত, টোকাৰী গীত, বৃন্দাবনী নাম, জিকিৰ।

### ৫.১.১ শৰণীয়া-কছাৰীৰ লোক সাহিত্য ঃ

অসমৰ এটি অন্যতম জনজাতীয় জনগোষ্ঠী শৰণীয়া-কছাৰীসকল লোক সাহিত্যত অতি চহকী। তেওঁলোকৰ মাজত প্ৰচলিত লোক সাহিত্যসমূহ পদ্য আৰু গদ্য-পদ্য উভয়ধৰ্মী দুয়োটা ৰূপতে পোৱা যায়। বিভিন্ন নৃত্যৰ লগত জড়িত গীত, লালিলাং গীত, নিচুকনি গীত, বিভিন্ন উৎসৱৰ লগত জড়িত গীত, বিয়াগীত আদি সুৰ লগাই গায়। সেয়ে এইবোৰ পদ্যধৰ্মী। আনহাতে ফকৰা, যোজনা-পটন্তৰ, সাধুকথা আদি গদ্যধৰ্মী। ফকৰা, যোজনা-পটন্তৰসমূহ লালিত্য-ভৰা আৰু ছন্দময় যদিও গীতৰ দৰে গোৱা নহয়। সেয়ে এইবোৰ গদ্য-পদ্য উভয়ধৰ্মী। শৰণীয়া সমাজত প্ৰচলিত লোকসাহিত্যৰ অন্তৰ্গত লোকগীতসমূহৰ কিছুমানত বাদ্য সংগত কৰা হয় আৰু কিছুমান কোনো বাদ্য সংগত নকৰাকৈ পৰিৱেশন কৰা হয়। শৰণীয়া সমাজত প্ৰচলিত লোক-সাহিত্যসমূহৰ মাজেৰে শৰণীয়া জনগোষ্ঠীটোৰ পৰম্পৰাগত সাংস্কৃতিক উপাদান, ধ্যান-ধাৰণা, প্ৰমূল্য আৰু আদৰ্শগত আশা-আকাংক্ষাসমূহৰ প্ৰকাশ ঘটা দেখা যায়।


অসমীয়া লোক-সাহিত্যৰ দেউল নিৰ্মাণৰ ক্ষেত্ৰত আন জনজাতীয় সাহিত্যই সহায় কৰাৰ দৰে শৰণীয়া-কছাৰীৰ লোক-সাহিত্যইও অশেষ বৰঙণি আগবঢ়াইছে। লোক-কাহিনী, সাধুকথা, ফকৰা, যোজনা-পটন্তৰ, মাছমৰীয়া গীত, বাম্বোলপিটা গীত, মহ'হো গীত, গৰখীয়া গীত, লালিলাং গীত, বিয়াগীত, ধেমেলীয়া গীত, খেল-ধেমালিৰ গীত আদিয়ে শৰণীয়া-কছাৰীসকলৰ লোক-সাহিত্যক চহকী কৰি তুলিছে। তেওঁলোকৰ মাজত প্ৰচলিত লোক-সাহিত্যসমূহক এখন তালিকাত অন্তৰ্ভুক্ত কৰি তলত দিয়া ধৰণে ভগাব পাৰি।

(১) লোকগীত

(২) লোককথা

(৩) সাধুকথা

## শৰণীয়া-কছাৰীৰ লোক সাহিত্য



**৫.১.১.১ লোক-গীত ঃ**

শৰণীয়া-কছাৰীসকলৰ লোক সাহিত্যৰ এটি অন্যতম ভাগ হৈছে লোকগীত। শৰণীয়া-কছাৰীসকলৰ মাজত অতি প্ৰাচীন কালৰে পৰাই বিভিন্ন ধৰণৰ লোক-গীতৰ প্ৰচলন হৈ আহিছে, যিটো ধাৰা আজিও অক্ষুন্ন আছে। স্বকীয় বৈশিষ্ট্য সম্পন্ন প্ৰতিটো গীতে শৰণীয়া সমাজৰ লোক সাহিত্যৰ ভঁৰাল চহকী কৰি তুলিছে। সাধাৰণতে জনসাধৰণৰ আবেগ-অনুভূতি, আনন্দ- উল্লাসৰ বৰ্হিঃপ্ৰকাশ ঘটে লোকগীতসমূহৰ মাজেৰে। লোকগীতসমূহ হৈছে জনসাধৰণৰ হিয়াৰ আমঠু তথা অনুপ্ৰেৰণাৰ উৎস আৰু অৱসৰৰ সময়ৰ সঞ্জীৱনী। তদুপৰি লোকগীতসমূহৰ মাজেৰে শৰণীয়া সমাজৰ সামাজিক, আৰ্থিক, সাংস্কৃতিক আদি প্ৰতিটো দিশৰে জীৱন্ত ছবি প্ৰতিফলিত হোৱা দেখা যায়। তদুপৰি শৰণীয়া-কছাৰীসকলৰ আনন্দ-উল্লাসৰ, হৰ্ষ-বিষাদৰ বৰ্হিঃ প্ৰকাশ ঘটে লোকগীতসমূহৰ মাজত ।

যশোদা শৰণীয়াই শৰণীয়া সমাজত প্ৰচলিত গীত-মাত তথা লোকগীতসমূহক প্ৰধানত **৩** টা ভাগত ভাগ কৰি দেখুৱাইছে। সেইবোৰ হৈছে -

**(১)** পূজা সম্পৰ্কীয় **(২)** ৰং-ধেমালি মূলক **(৩)** অন্যান্য লোকগীত।" [৭১]

পূজা সম্পৰ্কীয় গীতসমূহ ধৰ্মীয় উৎসৱ অনুষ্ঠানত গোৱা হয়, সেয়েহে ইয়াক ধৰ্মীয় পৰ্ব উপলক্ষে গোৱা গীত বুলি ক'ব পাৰি। আনহাতে ৰং-ধেমালি বা অন্যান্য লোকগীতসমূহ যিহেতু কোনো ধৰ্মীয় উৎসৱক কেন্দ্ৰ কৰি গোৱা নহয় সেয়েহে ইয়াক ধৰ্মনিৰপেক্ষ গীত বুলিও ক'ব পাৰি।

বিষয়বস্তু আৰু পৰিৱেশ সাপেক্ষে শৰণীয়া-কছাৰীসকলৰ মাজত প্ৰচলিত লোকগীতসমূহক এনেদৰে ভগাব পাৰি -

(১) অনুষ্ঠানমূলক গীত (২) অনানুষ্ঠানমুলক গীত (৩) অন্যান্য গীত

**৫.১.১.১.১ অনুষ্ঠানমূলক গীত ঃ**

অনুষ্ঠানমূলক গীতসমূহ সাধাৰণতে কোনো এটি উৎসৱ- অনুষ্ঠানক কেন্দ্ৰ কৰি গোৱা হয়। এই অনুষ্ঠানমূলক গীতসমূহ ধৰ্মীয় পৰ্ব আৰু ধৰ্মভিন্ন আন পৰিৱেশতো গোৱা হয়। সেই হিচাপে শৰণীয়া সমাজত প্ৰচলিত গীতসমূহক দুটা ভাগত ভাগ কৰি আলোচনা কৰিব পাৰি। সেই ভাগ দুটা হ'ল -

(১) ধৰ্মীয়পৰ্ব উপলক্ষে গোৱা গীত

---

৭১। শৰণীয়া, যশোদা ঃ *শৰণীয়া সমাজত প্ৰচলিত গীত-মাত,* স্মৃতিগ্ৰন্থ ২০০৫,পৃ. ২৮

(২) ধৰ্ম নিৰপেক্ষ গীত

তলত শৰণীয়া-কছাৰী সমাজত প্ৰচলিত অনুষ্ঠানমূলক গীতসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল। **ধৰ্মীয়-পৰ্ব উপলক্ষে গোৱা গীত ঃ** ধৰ্মীয়-পৰ্ব উপলক্ষে গোৱা গীতসমূহ প্ৰধানত ধৰ্মমূলক উৎসৱত গোৱা হয়। এই গীতসমূহৰ মাজত ধৰ্মীয় ভাব থকা দেখা যায়। তদুপৰি ধৰ্মীয় অনুষ্ঠানতহে এইবোৰ গীত গোৱা হয় । ধৰ্মীয় ভাৱসম্পন্ন গীত কেইটামানৰ তলত উল্লেখ কৰা হ'ল -

**বাঁহ-গোসাই পূজাৰ গীত ঃ**

শৰণীয়া-কছাৰীসকলৰ মাজত জাতীয় উৎসৱ হিচাপে পৰিগণিত হোৱা বাঁহ-গোসাঁই পূজা প্ৰধানত কৃষি ভিত্তিক লোক-উৎসৱ। এই বাঁহ-গোসাঁই পূজা বিভিন্ন প্ৰক্ৰিয়া আৰু পৰ্যায়ৰ মাজেৰে সমাপন কৰা হয় । শৰণীয়া-কছাৰীসকলে বাঁহক মহাদেৱ বা শিৱ জ্ঞান কৰি পূজা-অৰ্চনা কৰে । গৰু বিহুৰ দিনাৰ পৰা ৬ বহাগলৈ বাঁহ-গোসাঁইক পূজা কৰা দেখা যায়। এই পূজা উপলক্ষে বিভিন্ন ধৰ্মীয়-গীত গোৱাৰ উপৰিও ধেমেলীয়া গীত গোৱাও দেখা যায়। হোম শেষ হোৱাৰ পিছত বাঁহ-গোসাঁইক উলিয়াই আনি গোসাঁই ঘৰৰ চাৰিওফালে সাতপাক ঘুৰাই আৰু আয়তীসকলে দশৱতাৰৰ ৰূপ বৰ্ণনা কৰি এনেদৰে গায়--

গোসাঁই সাত পাক ঘূৰে পৰুৱা বুলনে বুলে
গোসাঁইৰে আগতে চঙাৰে বৰিছে আগ হালি জালি পৰে
প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ন।
গোসাঁই সাত পাক ঘূৰে পৰুৱা বুলনে বুলে
গোসাঁইৰ আগতে চঙাৰে বৰিছে আগ হালি জালি পৰে।

সেইদৰে বাঁহ-গোসাঁইৰ বাবে নিৰ্বাচিত বাঁহডালৰ গুৰিত দেউৰীয়ে তামোল-পাণেৰে প্ৰসাদ দি উপাস্য দেৱতা বুঢ়া ডাঙৰীয়া শিৱৰ পৰা বাঁহ কাটিবলৈ অনুমতি বিচাৰি এনেদৰে সুৰ লগাই গায়--

নমু নমু বিৰূপাক্ষৰূপী নাৰায়ণ সন্তুষ্ট হৈক প্ৰভু আমি অভাজন
হে প্ৰভু আমি আপোনাক বাঁহ গোসাঁই সজাই নিবলৈ আহিছো আপুনি
আমাৰ মনিচৰ সমাজত গৈ ৰাইজৰ অপায় অমঙ্গল দূৰ কৰি শস্য- মৎস্য
ধন ধান জন বৃদ্ধি কৰি আমাক সকলোকে ৰক্ষা কৰিব লাগে ।
ওম্ শান্তি শান্তি শান্তি।।

এনেদৰে মন্ত্ৰ বাক্য গোৱাৰ পিছতেই দেউৰীয়ে সংগী দুজনৰ এজনক বাঁহ কাটিবলৈ নিৰ্দেশ দিয়ে। এই

গীতসমূহ গোৱাৰ সময়ত শৰণীয়া-কছাৰী সমাজৰ লোকসকলৰ চকু-মুখত এক আনন্দ আৰু শ্ৰদ্ধা-ভক্তিৰ অপূৰ্ব মিশ্ৰণ প্ৰতিফলন হোৱা দেখা যায়।

**মজু-পূজাৰ গীত ঃ**

শৰণীয়া-কছাৰীসকলে মনসা দেৱীক মজু দেৱী বুলি কয়। এই পূজাত গোৱা গীতসমূহক মজু-পূজাৰ গীত বুলি কয়। যেনে --

(১)

চেং বেং কানি পুঠি ধৰি ধৰি খাঁও,
দক্ষিণা চতলে বিষক উঠাই লৈয়া গেল,
আৰি গাগলা বোলে আৰ কিবা চাং।
ঢোৰা বেটাৰ বিষখিনি কাটাত ভেজাং,
শিঙি মাগুৰে বোলে আৰ কিবা চাং,
ঢোৰা বেটাৰ বিষখিনি কাটাত ভেজাং।

(২)

সুৱৰ্ণ মুঠি কটাৰীখান লল হাতকাৰি।
অজগৰৰ নেজ বেউলাই দিলৰে কাটি।।
যা যাৰে অজগৰ তোক দিলুং বৰ।
মানুহ গৰু খালি হ্ব এই অথন্তৰ।।
আন্তি জন্মত দিয়ে বিউলাই বৰ।
আজিও লাগি আছে সেই অথন্তৰ ।।

(৩)

পক্ষীয়াৰ বামখিনি জলে ভাসি যায়,
আধাৰ বুলি তাকে পক্ষীয়নী তুলি খায়,
আগতে নকৈছুং পক্ষীয়া দোলিয়া কৰাব,
ইটো কেনে পক্ষীয়নীৰ গৰভতী গাব। [৭২]

মনকৰিবলগীয়া যে এই গীতসমূহ ধৰ্মীয় ভাবসম্পন্ন যদিও তাৰ মাজতে শৰণীয়া-কছাৰী সমাজৰ বিভিন্ন দিশ আৰু সাংস্কৃতিক দিশ ফুটি উঠা দেখা যায়। তদুপৰি গীতসমূহৰ মাজেৰে শৰণীয়া-কছাৰী সমাজৰ জনমানসত চলি থকা কিছুমান জনবিশ্বাসৰ কাহিনী পোৱা যায়। বিষধৰ সাপ যে মানুহৰ কাৰণে তথা প্ৰাণীসমূহৰ কাৰণে অনিষ্টকাৰী তথা ঢোঁৰা সাপৰ বিষ শিঙি মাছে লোৱা, সাপৰ নেজ থোৱা হোৱা, পক্ষী-পক্ষীয়নীৰ বিয়া, পক্ষীয়নী গৰ্ভৱতী হোৱা ইত্যাদি ভাৱ প্ৰকাশ পাইছে এই গীতসমূহৰ মাজেৰে ।

**বাটৰ পূজাৰ গীত আৰু আই নামৰ গীত ঃ** গাঁৱৰ তিনিআলিত শৰণীয়া-কছাৰীসকলে এই বিধ পূজা

৭২। বৰুৱা, সোণবৰ ঃ *সংবাদদাতা গোৱেশ্বৰ,* বয়স - ৬৫

অনুষ্ঠিত কৰা দেখা যায়। বাটত পূজা পাতে কাৰণেই এই পূজাক বাটৰ পূজা বুলি কোৱা হয়। বাটৰ পূজাত ন গৰাকী গোসাঁনীৰ কাৰণে পূজা পতা হয়। উদ্দেশ্য সমাজত হৈ থকা অপায়-অমংগল, জৰা-ব্যাধি আদি নোহোৱা কৰি দিয়া। সেইদৰে কোনো লোকৰ আই ওলালে বেমাৰ ভাল হবলৈ আইনাম ধৰা হয়। বাটৰ পূজাৰ যোগাৰ আৰু আইৰ পূজাৰ যোগাৰ একেই, নামো একে।

দিহা ঃ কৈলাখৰ পৰা আই নামি আহে
লক্ষ্মী ভঁৰালক চাই হৰি য়ে।
বগা ফুলৰ আখন পাতি থছোং আমি
তাতে আহি বহা আই হৰি য়ে।।

পদ ঃ শেতেলী পাতলী নুমুলী বিহাৰী
কৈলাখৰ পৰা আই নামি আহে
সনেকা মনেকা গংগা দেৱী দুৰ্গা দেৱী চৰণে ধৰং
কৈলাখৰ পৰা আই নামি আহে
ঘাউলী বাউলী ঔফুলী জিকাফুলী সোণাফুলী
ৰূপাফুলী তামুলী ভৰালী সৰুফুলী
কৈলাখৰ পৰা আই নামি আহে
ঈশ্বৰী পৰমেশ্বৰী দেশফু ৰা অপেছৰী
গোৱালাঙী হাগুলী চাকলী আকলী বৰবৰী
মেঘেনী বাৰগণ বাৰবৰী বাৰমৰী, লফামুৰী
খুজুলী বিহালী খুন্দামাৰী পেট কামুৰী
আঠিলা খুজুতী গৰ্ভৱতী।
কৈলাখৰ পৰা আই নামি আহে
খিজখিজী বিজবিজী
জলগিন্দিৰী কাহুৰী কালৰী উকিয়ালী
বাতিয়ালী নিৰমল ধিৰমল যোগমায়া
মহামায়া ৰঙাজ্বৰ কলাজ্বৰ হালধীয়াজ্বৰ
নওআই বিঙিতালী লটিঘটী মেলগুটী

বুঙুলীআই ভিতৰাআই।।

কৈলাখৰ পৰা আই নামি আহে

ৰণমালা ধনমালা গুটিমালা কানিপাউলী

কৈলাখৰ পৰা আই নামি আহে (সংগৃহীত)

দিহা ঃ অ' আই ভগৱতী নধৰিবি দোষ।
চৰণে পৰিছোং আই হইবা সন্তোষ।।

পদ ঃ ধূলি হৈয়া আহি আইৰ চৰণে লাগে।
নেপুৰ হৈয়া আইৰ পাৰত বাজে।।

দিহা ঃ ভোগ খাই ভগৱতী তুষ্ট ভৈলা মন।
হৰৰ কৈলাখক আই কৰিলা গমন।।

পদ ঃ আজি আই কৈলাখে ৰঙ্গে চলি যায়।
ঝুনাৰ ঝুনুৰ কৰি নেপুৰ বজায়।।

দিহা ঃ বিদায় দিয়া আই হে।
গধূলী হ'ল হে।।

পদ ঃ নাম ধৰিবৰ চলে আই নামৰ মাজে ৰ'ল।।

ফুল তুলিবৰ চলে আই ফুলৰ মাজে ৰ'ল।।

ধুপ খেলাৰ চলে আই ধুপ খেলি ৰ'ল।।

পুথি পঢ়িবাৰ চলে আই পুথিৰ মাজে ৰ'ল।।

আমাক বিদায় দিয়া আই কৈলাখে গ'ল।। [৭৩]

বাটৰ পূজাৰ কাৰণে সজোৱা ভেলখন নৈবেদ্য, উপকৰণসহ পানীত উটুৱাই দি আহি পিছলৈ উভতি নাচায় আৰু এনেদৰে গায় -

আথাৰ দাম গুৰুৰ দাম যৰে ভাগৱতী মাই ততে থাক

যদি ভগৱতী আই লৰচৰ কৰা ব্ৰহ্ম চৰণত পৰি মৰা।

**অপেশ্বৰী-নামৰ গীত ঃ**

যেতিয়া কোনো মহিলা বা শিশুক অপেশ্বৰীয়ে ধৰে তেতিয়া তেওঁলোকৰ গাত লগা অপেশ্বৰী নোহোৱা কৰিবৰ কাৰণে অপেশ্বৰী-নাম গোৱা হয়। অপেশ্বৰীয়ে ধৰিলে শৰণীয়া-কছাৰী সমাজে উপ্ৰলিয়ে ধৰা বা ছিদ্ৰ লগা বুলি কয়। তেওঁলোকে বিভিন্ন উপকৰণেৰে নৈবেদ্য পাতি অপশ্বেৰী দেৱীক স্তুতি কৰি

---

৭৩। বৰুৱা, সোণবৰ ঃ *সংবাদদাতা গোৰেশ্বৰ*, বয়স - ৬৫

এনেদৰে  গায়।

(১)

ঘোষা ঃ জয় জয় ৰাম কৰুণাৰ সাগৰ।

ৰাখা নাৰায়াণ এবাৰ কৰিব দয়া।।

পদ ঃ প্ৰথমে প্ৰণাম ব্ৰহ্মাৰূপে সনাতন

সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ।

জয় জয় ৰাম কৰুণাৰ সাগৰ নাম

ৰাখা নাৰায়াণ এবাৰ কৰিব দয়া।।

(২)

ঘোষা ঃ জয় জয় ৰাম জয় শ্ৰীৰাম

জয় সনাতন হে

পদ ঃ তযু নাভি কমলত ব্ৰহ্মা ভৈলা জাত

যুগে যুগে অৱতাৰ ধৰা অসংখ্যাত

জয় জয় ৰাম জয় শ্ৰীৰাম

জয় সনাতন হে

এনেদৰে নাম গোৱাৰ পিছত আয়তীসকলে হাতত ফুল লৈ  প্ৰতিখন ঠগীতে তিনিবাৰকৈ ফুল চতিয়াই দিয়ে। ফুল চতিয়াৰ পিছত পুনৰ এনেদৰে গায় -

ঘোষা ঃ আহংতে ৰুই গেলুং পুলি যাওতে লৈ গেলু তুলি।

আমিতো নাজনং অ' হৰি হৰি আয়ে দয়া কৰে বুলি।।

পদ ঃ অ' কুমুলি মিঠালি কাতিগন পক্ষীগন গাণ্ডা দুৰ্গা।

আয়ে দয়া কৰে বুলি।।

অ' নেপালনি, বঙালনি, আহোমনি, চৰালনি।

চলি ধৰিয়া আয়ে দয়া কৰে বুলি।।

অ দণ্ডিকা, চণ্ডিকা, কালিকা, মহামায়া দুৰ্গ দেৱী।

লোৱা চকু মেলি চাই।।

ঘোষা ঃ আই তই শেতেলি দখলি পুতলি

থৈ যোৱা বুকু জুৰাই হৰিয়ে।।

পদ ঃ অ' ঈশ্বৰী ভগৱতী বুঢ়ীআয়ে

থৈ যোৱা বুকু জুৰাই হৰিয়ে।।

নাজানি নুশুনি বেঙেৰী কালেৰী

থৈ যোৱা বুকু জুৰাই হৰিয়ে।।

জৰগেন্দ্ৰী পানীখাইতী আজুৰি খামুছি

থৈ যোৱা বুকু জুৰাই হৰিয়ে।।

মনকৰিবলগীয়া যে যদিও গীতসমূহ পুৰণিকালৰ পৰাই মুখ পৰম্পৰা হিচাপে চলি আহিছে তথাপি সময়ৰ লগে-লগে ই আধুনিক ৰূপ পৰিগ্ৰহণ কৰিছে। বঙালী, নেপালী শব্দৰ উল্লেখৰ জৰিয়তে এই কথা গম পোৱা যায়। এনেদৰে বিভিন্ন ধৰণে অপেশ্বৰী নাম গাই তুতি-মিনতি কৰি গৃহস্থই সেৱা লয়। তাৰ পিছত নৈবাদ্যখন ভেলত তুলি লৈ উটুৱাই দিয়ে। স্মৰ্তব্য যে - অপেশ্বৰী নামত পতা থাপনাত ৰঙা ফুল আৰু কলদোনাৰ ভেল অপৰিহাৰ্য। অপেশ্বৰী নামত হাত চাপৰি বজোৱা নহয়। কেৱল নামতীসকলে সমস্বৰে নাম গাই যায়।

**গোসাঁনী-পূজা বা লঠা-পূজা ঃ**

মাৰি-মৰক, আপদ-বিপদ আদিৰ পৰা ৰক্ষা পাবলৈ শৰণীয়া-কছাৰী সমাজে ভগৱতী মহামায়াক স্তুতি-মিনতি কৰি গোসাঁনী-পূজা পাতে । এই গোসাঁনী- পূজাক কোনো-কোনো অঞ্চলত লঠা- পূজা বুলিও কয়। ভগৱতী গোসাঁনীক সন্তুষ্ট কৰিবলৈ শৰণীয়া-কছাৰী সমাজে ধৰ্মমূলক গীত গোৱা দেখা যায়। এই গীতসমূহ গাই গোসাঁনীক তুষ্ট হ'বলৈ কাতৰ ভাবে মিনতি জনায়। গোসাঁনীৰ কাৰণে আহান (আসন) পতাৰ সময়ত এনেদৰে গায় -

জয় হৰি বোলা হৰি  হৰি বোলা হৰি
আৰু বাৰে মহামায়া  ভাগৱতীক চিন্তি
হৰি বোলা।

মূল পূজা আৰম্ভ হোৱাৰ পিছত গোসাঁনীৰ আগত হাঁহ, পাৰ, আদি বলি দিয়া হয়। জীৱকেইটাৰ কটা মূৰত শলিতা জ্বলাই দিয়ে আৰু এনেদৰে প্ৰাৰ্থনা সদৃশ ধৰ্মীয় গীত গায় ---

নমোঃ নমোঃ নাৰায়ণ  দিয়া দৰিশন
সেৱা কৰি আছো আমি  আপুণাৰো চৰণ।
আপুনাৰ মহিমাকো  আপুনি বেকত কৰি
জীৱক কৰিঅ পৰিত্ৰাণ  আমাৰ নাই ৰূপ গুণ
ধৰ্মক চাই বুলিবা আপোন  কি দিম যাদবৰ আই
যত বস্তু আছে আপুনাতে পায়  দিবা লাগিছিল ন বিধ
এক বিধৰে সামৰ্থ্য নাই।  ঘাটৰ জল বাটৰ দুৱৰি আনি
ধৰ্ম শালাসৰ জলন্তি কৰিছো  ৰাজ ভয় সৰ্প ভয় মাৰ্জন কৰি

নিলগৰ ঢৌ বতাহ নিলগতে লয় ক্ষয় কৰি

বহুদিন গোবিন্দই কল্যান ৰাখক ।[৭৪]

এনেদৰে প্ৰাৰ্থনা গাই পূজা-পৰ্ব সমাপ্ত কৰে। পূজাৰ শেষত মাহ-প্ৰসাদ খোৱাৰ উপৰিও বলিৰ মাংসৰে ভোজ ভাত খায়।

**ভকত-সেৱাৰ গীত ঃ**

ভকত-সেৱা পৰম্পৰাও শৰণীয়া-কছাৰী সমাজত চলা এটি ধৰ্মীয় অনুষ্ঠান । প্ৰাচীন অসমৰ কৈৰাতজ ধৰ্মৰ সকলো লক্ষণ, বৈশিষ্ট্য অটুট ৰাখি ভকত-সেৱা পূজা কৰা দেখা যায়। সম্পূৰ্ণ ঘৰুৱাভাবে এই পূজা কৰা দেখা যায়। এই পূজা সচাঙত কৰা হয় বাবে সচাং পূজা বোলে। কিছুমানে আকৌ বুঢ়া ডাঙৰীয়াৰ পূজা বুলিও কয়। কাৰণ ইয়াত দেৱাদিদেৱ মহাদেৱ আৰু ভগৱতীক তুষ্ট কৰা হয়। মহাদেৱৰ উপৰিও ব্ৰহ্মা, বিষ্ণু আৰু কৃষ্ণকো স্তুতি কৰে। উল্লেখযোগ্য যে শৰণীয়া-কছাৰীসকলৰ মাজত এই পূজাৰ প্ৰচলন আছে যদিও সকলো শৰণীয়াই এই পূজা অনুষ্ঠিত নকৰে। যিসকল শৰণীয়া কোনো মহন্ত (স্বগোষ্ঠীয় মহন্ত) ভকতৰ ওচৰত শৰণ লৈ ভকত হয় তেওঁলোকেহে এই পূজা কৰা দেখা যায়। ভকত সেৱা পৰম্পৰাত গোৱা গীতসমূহক সদাচাৰ বাক্য বোলে। এই সদাচাৰ বাক্যসমূহ ভকত সেৱা পূজাৰ বিভিন্ন পৰ্যায়ত ভকতসকলে এক মাদকতা ভৰা সুৰেৰে গায়, যত ধৰ্মীয়ভাব সম্পূৰ্ণ নিহিত হৈ থাকে -

**ভকত বৰি দিয়া সদাচাৰ ঃ**

শ্ৰী কৃষ্ণ নমোঃ। দেহা দি ভকতি কৰো মৰ বান্ধবো।।

দেহা দি ভকতি কৰো। দেহা দি ভকতি কৰিবে নাপাইলো।।

জানু মায়া লাহি মৰ। আগে যে আছিলো।।

গুণেৰে মাণিক জিলিকি আছিলো সংগে।।

এতিয়া হলো মই, খাগৰিৰে মূৰা, উটি- ভাঁহি ফুৰো জলে।।

নাও তল গৈলা শিলে উপংগিলা শিলকে বিন্ধিলে ঘূণে।।

কচুকে কাটতে কটাৰী ভাংগিলে। কাঠি বাঁহক নকৰো ভয়।।

---

৭৪। শৰণীয়া, জয়মতী ঃ *সংবাদদাত্ৰী টংলা*, বয়স - ৬৫

লাই কুমলীয়া গুৰুই খাই কিয়া। লফা কুমলীয়া বেৰো।।
বৰ গছ কাটিলো ছিৰি খাই পেলালো।
ছিটিকি পৰিলে আঠা।।
বৰ গছ কাটিলো হিৰিত খাই বন্ধুৰে আসিলে।।
কৰো খাৰা- চুৰা অন্তৰে নেৰিবা বেঠা।
কহিছে শংকৰে শুনা বন্ধু সৰে সুসাহি সচংগে ৰই ।।

**সচাঙত ভকত বহা বাক্য ঃ**

পূবে তুলসী। পশ্চিমে কেটোকি।।
উত্তৰে চম্পা। দক্ষিণে ৰংগিয়াল।।
মৈধ্যত পৰম ব্ৰহ্মা। নিজগুৰু থিতি হ'বা।।
পূবে চিন্তনি। পশ্চিমে ভাৱেনি।।
উত্তৰে ৰহিলা। দক্ষিণে ৰাধিকা।।
মৈধ্যত পৰম ব্ৰহ্মা নিজ থিতি হ'বা। নাৰাদ বহা, প্ৰহ্লাদ বহা, বহা যদুৰায়।।
নিজ গুৰুক শিৰত লৈ আমি বহো এই ঠাই। আত্মাই ঈশ্বৰ থিতি হ'বা।।

উল্লেখযোগ্য যে এই ভকতীয়া গীতবোৰত এটি ভকতীয়া ঠাঁচ শুনা যায়। কোনোটো গীতৰ মাজত পৰমাৰ্থিক তথা আধ্যাত্মিক সুৰ শুনা যায় -

এতিয়া হলো মই, খাগৰিৰে মূৰা উতি ভাঁহি ফুৰো জলে।।
নাঁও তল গৈলা, শিলে উপংগিলা শিলকে বিন্ধিলে ঘুনে।।

ইয়াৰ উপৰিও সচাঙত বহা বাক্য আৰু সদাচাৰ বাক্যৰ অন্তত মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ উপৰিও ৰামদেৱ, ৰামানন্দ, যদুৰায় আদি ভকতৰ কথাও উল্লেখ আছে। বাক্যসমূহৰ শেষত 'শংকৰ-মাধৱে কহিছে' বোলা কথাৰ পৰা নৱবৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ গীতসমূহৰ মাজত যে পৰিছিল সেয়া অনুমান কৰিব পাৰি। উদাহৰণস্বৰূপে -

ভাল মৰ স্বামী।। মাধৱে কহন্ত সখী শুনা ধনঞ্জয়।।
মৰ ভকতক যিটুই অন্নক ভঞ্জায়।। ভাৰস্তে বৰিসে সিটু উত্তম জন্ম পায়।।
অন্তকালে মৰি সিটু মৈখ্য ধামে যায়।। নাম দান কৰে যিটু দেয় ভূমি দান।।

সপ্তদিপা নসহে দান ত্ৰিভুবনে নাই।।	মহা মহা যজ্ঞই অচৰ নাপাই।।

অন্ন বস্তু নাম দান কৰে যিটুজন।।	মহা সুখে থাকে সিটু বৈকুণ্ঠৰ ভৱন।।

ভক্তিবিনে গতি নাই জানিবা নিশ্বয়ে।।	শংকৰে ৰচিলা ডাকি বোলা ৰাম ৰাম।।[৭৫]

দুই এটি ভকতীয়া গীতৰ সামৰনিত মন্ত্ৰ বাক্য পাঠ কৰা দেখা যায়। উদাহৰণস্বৰূপে -

অনন্ত কুমাৰে গঢ়িছে থাল	ব্ৰহ্মা মাই হ'ল লাগ

গুৰুৰ বাক্য শিৰে ধৰি	আমি নাম শুনাও নিজ গুৰুক চিন্তি

উং হং উং হং স্বাহা।।

**বিয়াগীত ঃ**

বিবাহ শৰণীয়া-কছাৰীসকলৰ এক মাংগলিক সামাজিক অনুষ্ঠান। এই মাংগলিক সামাজিক অনুষ্ঠানত বিয়াগীত গোৰা হয়। এই বিয়াগীতসমূহৰ মাজত ধৰ্মীয় আৰু ধেমেলীয়া বিভিন্ন দিশ ফুটি উঠা দেখা যায়। মনকৰিবলগীয়া যে বিয়ানামসমূহত দৰা-কইনা ৰূপী চৰিত্ৰসমূহৰ বেছিভাগৰে নাম ৰাধা, কৃষ্ণ, ৰাম, সীতা আদি হোৱা দেখা যায়।

বিয়া সাধাৰণতে দুই প্ৰকাৰৰ । এখন বৰ-বিয়া আৰু আনখন সৰু -বিয়া। বৰ-বিয়াত গোৰা ধৰ্মীয় চৰিত্ৰ থকা কেইটামান বিয়াগীত হ'ল-

**বৰ-বিয়াৰ গীত ঃ**

**দিহা ঃ** "চাৰিখন খালিতে চাৰিবস্ত্ৰ দিয়া।	জ্বলাইলা ঘিউৰে চাতি।।

আজি ৰাম চন্দ্ৰই পিতৃ শ্ৰাদ্ধ কৰে।	ঋষিসকলক মাতি ।।

**পদ ঃ** ৰুক্মিনী ওলালে।	আলা চাউল হাতে লৈ।।

কৃষ্ণকে ছিটাংগৈ বুলি।	ওলাইলা ৰুক্মিণী জগতৰ মোহিণী।।

ৰূপে চমৎকাৰ কৰি।

**দিহা ঃ** হোম পুৰিবাক	লাগে আসিবাক

উঠিয় বিপ্ৰসকল

---

৭৫। শৰণীয়া, গণেশ ঃ *সংবাদদাতা টংলা*, বয়স - ৫০

**পদ ঃ** উঠি গৰ্গঋষি পৰম হৰিষি

ঘৃত দিলা অগনিত।

**সৰু বিয়াৰ গীত ঃ**

**দিহা ঃ** আজি চাৰি দিন নাই ওলায় ৰুক্মিনী

কি কি কৰিছা ভোগ

দেউৰী গণকে চালা গণি পঢ়ি

উঠিল পদমিণী যোগ।।

**দিহাঃ** আজি চাৰি দিন নাই ওলায় ৰুক্মিণী

কাঁঠিতে গজিলে কাঁহি।

চাৰি দিনৰ মূৰে ৰুক্মিনীও ওলাইছে

মিচিকিয়াই মাৰিব হাঁহি।।

এনেদৰে সৰু-বিয়া আৰু ডাঙৰ বিয়াত ধৰ্মীয় ভাব থকা আৰু ধৰ্মীয় চৰিত্ৰ থকা গীত গোৱা যায়। এই গীতসমূহে শৰণীয়া কছাৰী সমাজৰ ভঁৰাল চহকী কৰি তুলিছে।

**ধৰ্মনিৰপেক্ষ গীত ঃ**

ধৰ্মনিৰপেক্ষ গীতসমূহত সাধাৰণতে কোনো পূজা-পাৰ্বনক কেন্দ্ৰ কৰি গোৱা নহয়। বছৰৰ কোনো এটি দিনত হোৱা উৎসৱত এই গীতসমূহ গোৱা হয়। ইয়াত ধৰ্মীয় ভাৱ তথা ধৰ্মীয় চৰিত্ৰৰ উল্লেখ দেখা নাযায়। তলত কেইটামান ধৰ্মনিৰপেক্ষ গীতৰ উদাহৰণ দিয়া হ'ল -

**বাম্বোলপিটা গীত ঃ**

বাম্বোলপিটা গীতসমূহ সাধাৰণতে বাম্বোলপিটা উৎসৱত গোৱা হয়। ভাদ মাহৰ পূৰ্ণিমা তিথিত এই উৎসৱটি অনুষ্ঠিত কৰা হয়। বাম্বোলপিটা গীতসমূহ লালিত্যভৰা আৰু ছন্দোময়। প্ৰতিটো গীতৰ শেষতেই 'অ' হুৰেই অ' হুৰেই' বাক্যাংশৰ সংযোজন অতি মনোমোহা আৰু বৈশিষ্ট্যপূৰ্ণ। কোনো এঘৰ মানুহৰ তাত বাম্বোলপিটা গীত চাৰিটামান গোৱা হয়। বাম্বোলপিটা উৎসৱ অনুষ্ঠানটিত গোৱা কেইটামান গীতৰ উদাহৰণ দাঙি ধৰা হ'ল -

(১)

ইয়ো বলে জলপান
সিয়ো বলে জলপান
জলপানৰ পিঠাগুৰি খায়।
কানছিৰাত টোপোলাই
পথাৰলৈ লৈ যায়
আলিমুৰত বহি বহি
খায় হে খায় হে ৰাম।
অহো দাদা আই
আলিমুৰত বহি বহি
খায় হে খায় হে ৰাম।
অ হুৰেই অ হুৰেই।

(২)

কোপোতিয়ে
আলিমূৰত নলবি বাহা
কোপোতিয়ে
আলিমূৰত নলবি বাহা
কদাল চাপ মাৰি দিম
ডিমাযোৰ ভাঙি যাব
ছানাক লাগি নকৰ্বি আশাহে আশাহে ৰাম
অহো দাদা আই
ছানাক লাগি নকৰ্বি আশাহে আশাহে ৰাম
অ' হুৰেই অ' হুৰেই

(৩)

শিশিৰি খাৰৰে
সোতা হৰি হৰি
শিশিৰি খাৰৰে
সোতা সোত
আমি গুৰখিয়া ছলি
বাম্বোল পিটিছোং
বুৰখানে নাপাত্পা শতাহে শতাহে ৰাম
অহো দাদা আই
বুৰখানে নাপাত্পা শতাহে শতাহে ৰাম
অ' হুৰেই অ' হুৰেই

(৪)

ছাগাল জাতি ভেবেৰা
শিং জাতি কেকেৰা
বাৰী বাৰী ধুঙা পাত খায় খায়
ছাগাল বুলি নাজান্লোং
ফৰমতডাল মাৰি দিলোং
লোকৰ ছাগাল
খোৰাই খোৰাই যায়হে যায়হে ৰাম
অহো দাদা আই
লোকৰ ছাগাল
খোৰাই খোৰাই যায়হে যায়হে ৰাম
অ' হুৰেই অ' হুৰেই। [৭৬]

---

৭৬। বৰুৱা, সোণবৰ ঃ *সংবাদদাতা গোৰেশ্বৰ,* বয়স - ৬৫

**মহখেদা উৎসৱৰ গীত ঃ**

মহখেদা উৎসৱত গোৱা গীতসমূহক মহখেদা গীত বোলে। মহখেদা উৎসৱটি আঘোন মাহৰ পুৰ্ণিমাত তিনিৰ পৰা পাঁচ দিন ধৰি পালন কৰা হয়। মহখেদা উৎসৱত গোৱা গীতৰ সংখ্যা বাম্বোলপিটা গীতত গোৱা গীতৰ সংখ্যাতকৈ বহুত কম। মহখেদা গীতৰ সংখ্যা চাৰিটামানহে। তাৰে ভিতৰত এটা গীতক প্ৰধান গীত বুলি ধৰি বাকী দুই তিনিটাক উপগীত বুলি কব পাৰি। এই অনুষ্ঠানটিত গোৱা গীতসমূহৰ মাজত আনন্দৰ  সুন্দৰ প্ৰকাশ ঘটা দেখা যায় ।

**প্ৰধান গীত**

আঘোন হ'ল পুৰ্ণি হ'ল মহ খেদবাৰ হুকুম হ'ল
অ হৌ হৌ মহৌ হৌ মহ খেদবা টোকান লৌ
মহে বল্লে মল্লোং দে টেপুল পুৰা খালোং দে
টেপুল পুৰাত নহল নুন চাউল কাৰে দোন দোন
চাউল নিদি দিলাক খৰি আই থেৰ ঘৰ লৰা লৰি
লৰা লৰি কৰাংতে সোণাৰ নাঙাল পালোং দে
সোনাৰ নাঙাল ৰূপাৰ ফাল ভাইজ্জা বেটাই বৰে হাল
হাল বালো সিৰালে মৈ দিলো পাকে
খেদি গৰু পাৰ কৰালো বুঢ়া দিয়াৰ ঘাটে
বুঢ়া দিয়াই পাৰে ৰিং কুবাই ভাঙিম ম'হৰ শিং
ম'হৰ শিং একা বেকা তাত পৰি যায় মাছৰোকা।

উক্ত গীতটোক প্ৰধান গীত বুলি এই কাৰণে কব পাৰি যে এই গীতটোৰ ভাব তথা  বিষয়বস্তু এটা ক্ৰমত থকা দেখা যায়। আন ধেমেলীয়া গীত কেইটাৰ লগত উক্ত গীতটোৰ বিষয়বস্তুৰ ক্ৰম ৰক্ষিত হোৱা নাই সেয়ে এই গীতটোক প্ৰধান গীত হিচাপে লৈ বাকী দুই তিনিটা উপগীত গোৱা দেখা যায়। কৰবাত কৰবাত প্ৰধান গীতটো গাইয়ে মহখেদা উৎসৱ অনুষ্ঠানটিৰ সামৰণি মৰা দেখা যায়। মনকৰিবলগীয়া যে প্ৰধান গীত নোগোৱাকৈ কিন্তু উপগীতসমূহ  প্ৰথমে গোৱা নহয়। আনহাতে উপগীতসমূহ নোগোৱাকৈও প্ৰধান গীতটো গোৱা হয়। সেয়ে উক্ত গীতটোকে প্ৰধান গীত বুলি নামকৰণ কৰিব পাৰি। উল্লেখযোগ্য যে এই গীতসমূহত শৰণীয়া সমাজৰ সামাজিক চিত্ৰও প্ৰতিফলিত হোৱা দেখা যায়।

**উপগীত ঃ (১)** বাহৰ পাত চিকিমিকি আমাক লাগে আধেলি সিকি

বাহৰ পাত পকা পকা আমাক লাগে টকা টকা
বাহৰ পাত চেচ চেৰাৱে বুঢ়াৰ কতিদি টেট টেৰাৱে

(২) বাৰীৰ আগৰ পকা জালুক হুই নাকা হুইৰে
জাপ দি আহে বুৰা ভালুক হুই নাকা হুইৰে
আহ ভালুক আহ ৰে হুই নাকা হুইৰে
উই খাৰা নাচ ৰে হুই নাকা হুইৰে
উই নাখাই খাবি কি হুই নাকা হুইৰে
বনৰ মাজত পাবি কি হুই নাকা হুইৰে
এন্থৰ ঘৰত নুন জালুক হুই নাকা হুইৰে
ওলাই আহ বুৰা ভালুক হুই নাকা হুইৰে
আহ ভালুকি আহ ৰে হুই নাকা হুইৰে
উই খাৰা নাচ ৰে হুই নাকা হুইৰে
বাঁহৰ পাত চিকিমিকি আমাক লাগে আধেলী সিকি।

**আশীৰ্বাদসূচক গীত ঃ**

জয় জয় হ'ক ময় ময় হ'ক
ভাখেৰীত ধান হ'ক গোলিত গৰু হ'ক
বাৰীত তামোল পান হ'ক গৃহস্থৰ মংগল হ'ক
আমাক একমুঠি চাউল দিবাক লেগি
শক্তি বাঢ়ক।

**৫.১.১.১.২ অনানুষ্ঠানমূলক গীত ঃ**

অনানুষ্ঠানমূলক গীতসমূহ সাধাৰণতে কোনো ঘৰুৱা বা ৰাজহুৱা উৎসৱ-অনুষ্ঠানত গোৱা নহয়। কেৱল পৰিৱেশ অনুযায়ী এই গীতসমূহ গোৱা হয়। এই অনানুষ্ঠানমূলক গীতসমূহত শৰণীয়া-কছাৰী সমাজৰ সমাজিক তথা আৰ্থিক ছবি বৰ সুন্দৰকৈ প্ৰকাশিত হোৱা দেখা যায়। লগতে ডেকা-গাভৰুৰ প্ৰেম-প্ৰণয় প্ৰকাশ হোৱা দেখা যায়। অনানুষ্ঠানমূলক গীতসমূহে শৰণীয়া-কছাৰী সমাজৰ লোকসাহিত্যৰ

ভঁৰাল আৰু অধিক চহকী কৰি তুলিছে। তলত কেইটামান অনানুষ্ঠানমূলক গীত উল্লেখ কৰা হ'ল।

**মাছমৰীয়া নৃত্যৰ গীত ঃ**

মাছমৰীয়া নৃত্য শৰণীয়া-কছাৰী সমাজত প্ৰচলিত অতি জনপ্ৰিয় এটি লোক-নৃত্য। সাধাৰণতে শৰণীয়া-কছাৰী সমাজে আন জনগোষ্ঠীৰ দৰে মাঘৰ দোমাহীৰ দিনা সমূহীয়াভাবে মাছ মাৰে। পুৰুষ-মহিলা সকলোৱে এই মাছ মৰা পৰ্বত অংশগ্ৰহণ কৰে। মাছ পোৱাৰ আনন্দত তেওলোকে বিভিন্ন নৃত্য-গীত কৰি ৰং-ধেমালি কৰে। মাছমৰীয়া নৃত্যৰ লগত সংগতি ৰাখি শৰণীয়া ডেকা-গাভৰুসকলে কিছুমান গীত গায়। যাক মাছমৰীয়া নৃত্যৰ গীত বুলি কোৱা হয়। উল্লেখযোগ্য যে এই মাছমৰীয়া নৃত্যৰ গীতসমূহ এটা ক্ৰমত বান্ধ খাই থাকে। প্ৰথমতে দল বান্ধি মাছমাৰিব যোৱা তাৰ পিছত খালৈ-জাকৈ লৈ মাছ মৰা, দৰিকণা, পুঠি, বতিয়া, চেং, গৰৈ আদি মাছ পোৱা কাহিনী বৰ্ণনা কৰা আছে। পিছৰ পৰ্যায়ত খেপিয়াই খেপিয়াই সকলো মাছ খালৈত ভৰাই লোৱা আৰু শেষত আবেলি হোৱাৰ লগে-লগে জাকৈ-খালৈ ধুই মাছ লৈ ঘৰলৈ অহা আদিৰ বিষয়ে গীতসমূহত বৰ্ণনা কৰা আছে। তলত মাছমৰীয়া নৃত্যৰ গীতকেইটামান উল্লেখ কৰা হ'ল -

**স্থায়ী ঃ**

অ' আইহাঁত বাইহাঁত জাখেই লৌ আমতীৰ চুৰা গেল আমি মাছ মাৰং যৌ।
আহ্ আপি জাখেই মাৰ্বা যাং আহ্ আপি মাছ মাৰ্বা যাং।
ছানাতে ছানাকাই জাখেই বুই দিছিল ঐ ছানামাছ মাৰ্বি বুলি।
পোৱান মাছ ডাঙাৰ হ'ল খালেই ভৰাই আনোং গৈ
জাক পাতি জাখেই মাৰি মাৰি। পাল পাতি মাছ মাৰং শৰণীয়া-কছাৰী।
আহ্ আপি জাখেই মাৰ্বা যাং আহ্ আপি মাছ মাৰ্বা যাং।

**অন্তৰা (১) ঃ**

মাছৰ চিকুন মৰা, ঘুম্তিৰ চিকুন পুৰা- ঐ ঘুম্তিৰ চিকুন পুৰা
মাছ মাৰ্বা যাংগে আহ কৰি হুৰা দুৰা- ঐ কৰি হুৰা দুৰা।
খালেৰ দল দৌ বান্ধি, জাখেই লৌ ভাল কুৰি- ঐ জাখে লৌ ভাল কুৰি

মাছ্ কাক্ৰা খাৰা যদি আহ্ দাউৰি-	ঐ আহ্ দাউৰি দাউৰি।
আলি কানৰ কাক্ৰা ছানা	জাখেত উঠে একো গন্দা
কোনা পাতি ধৰোং আহ	খালেই ভৰাই লং।
ঐ খালেই ভৰাই লং।

**অন্তৰা (২ ) ঃ**

দুৰকিনা, পুঠি ফুৰে মূৰা ওলাই-	ঐ মূৰা ওলাই ওলাই
চুপি চুপি তুলি আনোং জাখেই চাবিয়াই-	ঐ জাখেই চাবিয়াই
বুতিয়ালি, খাৰাখাইতি আৰু চেং গৰেই-	ঐ আৰু চেং গৰে
থোথাগালি খুলিহনা ভৰিৰ খোজত পৰে-	ঐ ভৰিৰ খোজত পৰে
দলৰ তলৰ কৈ, মাগুৰ আৰু তৰা বামি-	ঐ আৰু তৰা বামি
হিত্য়াই হিত্য়াই ধৰি আনোং	ঐ খালে ভৰাই লং
ঐ খালে ভৰাই লং

**অন্তৰা (৩) ঃ**

দল গুচাংতে গুচাংতে পালোং মাগুৰ মাছ-	ঐ পালোং মাগুৰ মাছ
মাগুৰ মাছৰ তেল খাই ককল হালাই নাচ-	ঐ ককাল হালাই নাচ
অ' আইহাঁত বাইহাঁত বেলা দিলা ভাটি-	ঐ বেলা দিলা ভাটি
খালেই ভৰাই মাছ পালোং ঘৰত যাং যৌ আমি-	ঐ ঘৰত যাং যৌ আমি
বেদ্‌লা জখৰ কামোৰ খাই	নাথকং আৰু এই ঠাই
জাখেই খালেই ধুং ঐ ঘৰা ঘৰি হং	ঐ ঘৰা ঘৰি হং।।[৭৭]

**পলুপোহা-নৃত্যৰ গীত ঃ**

পলুপোহা-নৃত্যৰ গীত শৰণীয়া-কছাৰী সমাজত প্ৰচলিত এটি জনপ্ৰিয় নৃত্য গীত। এই গীতসমূহৰ

---

৭৭। বৰুৱা, সোণবৰ ঃ *সংবাদদাতা গোৱেশ্বৰ,* বয়স - ৬৫

জৰিয়তে শৰণীয়া-কছাৰী সমাজৰ মহিলা সকলৰ আৰ্থিক দিশৰ কথা গম পোৱা যায়। তদুপৰি শৰণীয়া-কছাৰী মহিলাসকল যে কৰ্মী, তাকো এই গীতসমূহৰ মজেৰে গম পোৱা যায়। খাদ্য হিচাপে পলুৰ সমাদৰ শৰণীয়া-কছাৰী সমাজত মাছৰ পিছতে, সেয়ে ইয়াক লৈ বিভিন্ন গীত-মাত সৃষ্টি হোৱা দেখা যায়।

**স্থায়ী ঃ**

"পুলু পুহোং আমি ঐ পুলু পুহোং আমি বাহা কাটোং আমি ঐ বাহা কাটোং আমি
আদিম যুগৰ সংস্কৃতি ধৰি ৰাখছোং আমি আদিম যুগৰ সংস্কৃতি ধৰি ৰাখছোং আমি
ঐ শৰণীয়া কছাৰী

**অন্তৰা ঃ**

অ' অ' অ' লাটা বাহা সীয়াই সীয়াই মালা গাঁথি গাঁথি ঐ মালা গাঁথি গাঁথি
পুলু স'চ থং চক্রি জাগে ডিমা পাৰে
কাণি্চিৰাত টোপলাই থং পুলু ছানা জাগিলে
কম্‌লা এৰাপাত দেং ঐ পুলু পুহোং আমি।।

**নৱান খাৱাৰ গীত ঃ**

নতুন ধানৰ ভাত খোৱাৰ দিনা শৰণীয়া-কছাৰীসকলে নৱান খাৱা নৃত্য কৰে। এই নৃত্য কৰাৰ সময়ত কিছুমান অতি মনোমোহা গীত গায়। এই গীতসমূহ প্ৰধানত মহিলাসকলে গাই যদিও পুৰুষসকলেও গোৱা দেখা যায়। নৱান খাৱা গীতৰ উদাহৰণ হ'ল -

স্থায়ী ঃ

বাঁহ-গোসাঁই, ভকত সেৱা, মজু, মাৰৈ পূজা তিনি আলিত বাটৰ পূজা শৰণীয়া প্ৰথা
আই লখিমি আনি ভাখ্‌ৰি সোমাং আমি নউ আঘান পৰিল আহি নৱান খাং আমি
নৱান খাৱাৰ দিনা আজিৰি নাই পুৱা গোসাঁই সেৱা কৰি আমি পাতোং নৱান খাৱা

অন্তৰা (১) ঃ

আমাৰ থোথা ৰজা আৰু আতা পিতা সক্‌লকে স্মৰণ কৰি পাতোং নৱান খাৱা

জহা, বুন্নি ৰান্ধি হাঁহে, কুমৰাই ভাজি গাছ আলুৰ আঞ্জা ৰান্ধোং সবে লাগি ভাগি

অন্তৰা (২) ঃ

নাঙাল যুঙলি আনি সেৱা কৰোং আমি গুলি ঘৰত ধান দেং গুৰুই খাক বুলি

গায়া গিয়াতিক মাতোং মাতোং গুৰকিয়া চলি চোতালতে বইভা দেং নৱান খাবা বুলি।

**চিকাৰ নৃত্যৰ গীত ঃ**

শৰণীয়া-কছাৰীসকলে চিকাৰ কৰিবলৈ যোৱাৰ সময়ত বিভিন্ন ধৰণৰ উৎসাহজনক গীত গাইছিল। এই উৎসাহপূৰ্ণ গীতসমূহে ভয়ানক জন্তু চিকাৰৰ ক্ষেত্ৰত সাহস দিছিল। তদুপৰি পুৰুষ- মহিলাসকলে লগ হৈ যায় কাৰণে ভয়ৰ সলনি মনোমোহা পৰিৱেশৰ সৃষ্টি হয়। তেওঁলোকৰ মাজত প্ৰচলিত চিকাৰ নৃত্যৰ গীতসমূহক প্ৰস্তুতি পৰ্ব, চিকাৰ পৰ্ব, আৰু সামৰণি পৰ্ব এই তিনিটা ভাগত ভাগ কৰি গোৱা হয়। তলত চিকাৰ নৃত্যৰ এটি গীত উল্লেখ কৰা হ'ল -

**প্ৰস্তুতি পৰ্ব**

**পুৰুষ ঃ** আহ ঐ আহ অলাই আহ
চিকাৰ কৰ্‌বা যাং
শহা পুহু যিহকে পাং
ধৰি আনি খাং ঐ
চিকাৰ কৰ্‌বা যাং

**মহিলা ঃ** আহ ঐ আহ পুহুখাইতি, শহাখাইতি বাই
হেংক্ৰামাৰি, লেংকমাৰি, আফালখাইতি
আই অই হিলৈমাৰি বাই

**পুৰুষ ঃ** খুতিয়াপুহু ৰামছাগাল নলবৰাৰ
জাক ঐ জহামাল্লাৰ জাক
হাবি ভাঙি ধৰি আনোং চলিহাতৰ
মাক ঐ চলিহাতৰ মাক।

**মহিলা ঃ** জুখিখাইতি, পোতখাইতি থিয়ামুৰি
বৌ ঐ ফালি কান্দুৰি বৌ
মৰদগিলা চিকাৰক যায় পূজা দিবা
যাং ঐ চকাধৰি বৌ

**পুৰুষ ঃ** দা ললোং বল্লম ললোং আৰু
ললোং জাল ঐ আৰু ললোং জাল

**মহিলা ঃ** ঔং হ্ৰীং ক্ৰীং ক্ৰীং ফট স্বাহা
মন্ত্ৰ মাতি দিলোং ঐ, গা বান্ধি দিলোং

ককলতে টঙালিৰে বান্ধি ললোং কুৰা-গোসাঁইক সেৱা কৰি
বল ঐ যাবাৰ সময় হ’ল। কপালত ফোট দিলোং ঐ
দেহা শুচি কৰ্‌লো।।

**চিকাৰ পৰ্ব**

**পুৰুষ ঃ** ধৰ ধৰ ধৰ ঐ খেদি খেদি ধৰ মাৰ মাৰ মাৰ ঐ খেদি খেদি মাৰ
শমহা পুহু দাউৰি পলায় জাল পাতি ধৰ ঐ জাল পাতি ধৰ।।
চা চা চা ঐ বাঁহৰ আগত চা বাঁহৰ আগত জহামল্লাই টঙাই আছে গা
ফৰ্মুটিয়াই নমাই আনি মাটিত ৰং চা ঐ মাটিত ৰং চা।।
শুন শুন শুন ঐ কিহৰ হোকৰ শুন বাঘৰ নহয় বৰাৰ হোকৰ শুনি পালোং গম
ধথমা চাই টাঙান মাৰ তেহে হব খুন ঐ তেহে হব খুন।।
যি পালোং তাকে আমি সাঙি কৰি লোং ঐ সাঙি কৰি লোং
টকা ডুবাৰ আগে আগে ঘৰা ঘৰি হং ঐ ঘৰা ঘৰি হং।।
থুপ্‌ৰি হৌ ঐ থুপ্‌ৰি হৌ বল্লম দাঙি লৌ
হোকৰা বাঘ আগত আছে চাই চিন্‌চি যৌ ঐ চাই চিনতি যৌ।।
খেদি যৌ ঐ খেদি যৌ হোক্ৰা বাঘক খেদি যৌ
পলাই গিলি মাৰবা নালগে চাই চিনতি যৌ ঐ চাই চিনতি যৌ।।
পলাই গেল ঐ পলাই গেল বনৰ ৰাজা পলাই গেল
চকা-ডুবাৰ আগে আগে ঘৰাঘৰি হং ঘৰাঘৰি হং।।

**সামৰণি পৰ্ব**

**মহিলা ঃ** আহ ঐ আহ খচ্‌কে আহ দুৱাৰত দি দাং
মৰদগিলান আহি পালা বৰি আনবা যাং
খুন খাতি মচি-কাচি দাৰু সানি দেং ঐ দাৰু সানি দেং।।

**৫.১.১.১.৩ অন্যান্য গীত ঃ**

শৰণীয়া সমাজত ওপৰত উল্লেখিত শ্ৰেণীসমূহত নপৰা অনেক লোকগীত আছে। সেই

গীতসমূহক অন্যান্য গীতত অন্তৰ্ভূক্ত কৰি আলোচনা কৰিব পাৰি। এই গীতসমূহ যিকোনো মূহুৰ্ততে গোৱা হয়। গাওঁতাজনে কি পৰিৱেশত থাকে তাৰ ওপৰত নিৰ্ভৰ কৰি এই গীতসমূহ গায়। সময়ৰ সীমাবদ্ধতাৰ প্ৰতি লক্ষ্য ৰাখি আলোচনাৰ আঁওতালৈ আনিব নোৱাৰা আৰু বহুতো গীত শৰণীয়া সমাজত আছে, সেইবোৰকো অন্যান্য গীতৰ ভিতৰত ধৰিব পাৰি। তলত শৰণীয়া সমাজত প্ৰচলিত বিভিন্ন বিষয় কেন্দ্ৰীক অন্যান্য গীতসমূহৰ বিষয়ে আলোচনা কৰা হ'ল -

**খেল-ধেমালিৰ গীত ঃ**

এখন সমাজৰ শাৰীৰিক, মানসিক তথা আধ্যাত্মিক বিকাশৰ কাৰণে খেল-ধেমালি অপৰিহাৰ্য। খেল- ধেমালিয়ে মনত আনন্দৰ জোৱাৰ তোলাৰ লগতে দৈহিক গঠনো সবল কৰে। ডেকা-বুঢ়া সকলোৱে খেল-ধেমালি উপভোগ কৰে। শৰণীয়া-কছাৰী সমাজতো খেল-ধেমালিৰ বহুল প্ৰচলন আছে আৰু এই খেলসমূহৰ লগত জৰিত কিছুমান গীতো আছে, যিয়ে শৰণীয়া-কছাৰী লোক সাহিত্যৰ ভঁৰাল চহকী কৰি তুলিছে। এই গীতসমূহো কোনো অনুষ্ঠানক কেন্দ্ৰ কৰি গোৱা নহয়। লৰা-ছোৱালীয়ে মনোৰঞ্জনৰ কাৰণে যিকোনো সময়তে খেল-খেলি থাকোঁতে এই গীতসমূহ গায়। তলত শৰণীয়া-কছাৰী সমাজত প্ৰচলিত কেইটামান খেল-ধেমালিৰ গীত উল্লেখ কৰা হ'ল -

**বাইচকোপ খেলৰ গীত ঃ**

এই খেলটো প্ৰধানত ছোৱালীবোৰে খেলে। দুজনী ছোৱালীয়ে হাতত ধৰা-ধৰিকৈ মুখা-মুখী হৈ থিয় দিব। তেতিয়া লগৰীয়াবোৰে এজনী এজনীকৈ তলত দিয়া গীত গাই-গাই হাতৰ তলেৰে যাব-

অপেন দি বাইচকোপ নাইন টেন তেইশ কোব
চুলিত টানা বেবিক আনা চাহাব বাবুক মাতি আনা
আমাৰ নাম ৰেনুবালা গলে পৰিল মুক্তি মালা।

এই বুলি গোৱাৰ লগে লগে হাতৰ কাষলতিত ধৰি ডাঙি লৈ যাব।

**কচুগুটি খেল ঃ**

এই খেলটোত দুটা বা তাতোধিক লৰা-ছোৱালীয়ে খেলিব পাৰে। প্ৰথমে এজনে এটা গুটি বা সৰু শিল হাতৰ তলুৱাত লুকুৱাই থয় আৰু বাকী কেইজনে কোনখন হাতত গুটীটো আছে সেইটো বিচাৰে।

যদি এবাৰতে গুটিটো পায়, তেন্তে গুটি বিচৰাজনে গুটিটো আনিব আৰু খেলত জয়ী হোৱা বুলি ভাবিব। বিচাৰি নাপালে তেওঁ খেলত হাৰিব। খেলটো খেলি থকা সময়ত এনেদৰে গায় -

অলৌ গুটি টলৌ গুটি কচু গুটি ঐ ৰাম
যি হাতত গুটি আছে সেই হাতে পাম।

**কাইকুট খেল ঃ**

ইয়াৰ উপৰিও সৰু ল'ৰা-ছোৱালীৰ হাঁহি উঠাবলৈ এজন ব্যক্তিয়ে শিশুটিৰ ভৰিৰ আঙুলিৰ পৰা হাতৰ আঙুলিলৈ হাত বুলাই-বুলাই এনেদৰে গায় -

ইঘৰোৰ মেকুৰী সি ঘৰোলৈ যায়
পুৰা মাছে পন্তাভাতে সকলোকে খায়।

এইবুলি কোৱা লগে-লগে শিশুটিৰ কাষলতিত কুট-কুটাই দিয়ে।

**পাঁচগুটি খেলৰ গীত ঃ**

এইবিধ খেল বিশেষকৈ ছোৱালীসকলৰ মাজত বহুল প্ৰচলিত। পাঁচটা সমান শিলগুটিৰে এই খেল খেলা হয়। খেল খেলোতে আটাইবোৰে ঘুৰণীয়া হৈ বহি লয়। সোঁফালৰ পৰা বাঁওফাললৈ ক্ৰমান্বয়ে খেলি যায় আৰু তলত দিয়াধৰণে গীত গায় -

এক, দুই, তিনি, চাৰি, পাঁচ গুটি নাচ (এটাকৈ গুটি ধৰি)
নাচ ভেলেকি হাউত যায়, কলপাত কাটি দলভাত খায়। (দুটাকৈ ধৰি)
এই চাব গুটি কঠালৰ গুটি (এবাৰত এটা, আনবাৰত তিনিটা ধৰি)
তেনতেৰি বাই দালি ভাত ৰান্ধা (চাৰিওটা গুটি ধৰি)
উকাই লান্তি ফেললুং বান্ধি

গুটি মাৰোতে কেতিয়াবা এবাৰতে পাঁচোটা গুটি ধৰা পৰে। তেতিয়া হঁফুৰা বুলি কোৱা হয়। হঁফুৰা হলে এনেদৰে গোৱা হয় -

এলে হঁফুৰা তেলে খায় (এটাকৈ)
হঁফুৰা মাকৰ কান পুৰি খায় (এটাকৈ)
হঁফুৰা গুটি লৰালু খুটি (দুটাকৈ)

এই চাপ টেনা মাখিৰ ভেনা (এটা আৰু তিনিটা)

উকায়া হাৰা পখৰা ঘোৰা।

এইদৰে খেল খেলি থাকোতে যদি কাৰোবাৰ হাতত গুটি যায় তেতিয়া সি মৰে। অর্থাৎ খেলৰ পৰা বাদ পৰে। তেতিয়া পিছৰ জনে মাৰিব। এনেধৰণে মৰা হিচাপৰ পৰা পুনৰ আৰম্ভ কৰে। এইধৰণে খেলি বন্ধা হিচাপত (যদি পাঁচ উকাও এক খেল ধৰা হয়) এক খেল বুলি গন্য কৰা হয়।

**ছাগাল বান্ধা খেলৰ গীত ঃ**

এই খেলত সৰু ল'ৰা-ছোৱালীবোৰে শাৰী পাতি থিয় হৈ থাকে। ছোৱালীবোৰে ইজনে সিজনৰ হাতত ধৰি ঘাই প্ৰশ্নৰ উত্তৰ দি এজনৰ হাতৰ তলেৰে সুমাই গৈ থাকিব আৰু প্ৰতিজনে নিজৰ হাতৰ মাজত বান্ধ খাই পৰিব -

প্ৰশ্ন ঃ অ' বুঢ়ী তোৰ ছাগাল কেনে? উত্তৰ ঃ ধুনে।

প্ৰশ্ন ঃ ধুনে ছাগাল কি খায়? উত্তৰ ঃ লতা-পাতা।

প্ৰশ্ন ঃ কি হাগে? উত্তৰ ঃ শুখ্‌না লদা।

প্ৰশ্ন ঃ কি মুতে? উত্তৰ ঃ তেল চুৰকা।

**ঘাই ঃ**

তোৰ ছাগালে ধান খায়। মোৰ হাতত বান্ধ খায় বুলি কৈ ওচৰতে পোৱা জনক থাপ মাৰি ধৰে। লগে-লগে সিও নিজৰ ভৰিৰ বুঢ়া আঙুলিত ধৰি বহি পৰে। তেতিয়া ঘায়ে আহি প্ৰশ্ন কৰে -

প্ৰশ্ন ঃ অ' ছাগাল ক'ত যাবি? উত্তৰ ঃ ৰাজাৰ ঘৰোত

বুলি কোৱাৰ লগে-লগে দুজনে আহি তাক দাঙি ঘাইৰ ওচৰলৈ লৈ যায়।

**লুকাভাকু বা কানিমুনি খেল ঃ**

এই খেলটোত কিমান খেলুৱৈ হব লাগে তাৰ কোনো নিৰ্দ্ধাৰিত সীমা নাই। কেৱল এই খেলত এজন কাউৰা হব লাগে। এই কাউৰাজনক নিৰ্বাচিত কৰিবৰ কাৰণে সকলোৱে মাটিত গোলাকাৰ হৈ বহি নিজৰ হাত দুখন সন্মুখত পাৰি দিব আৰু এজনে এখন হাতেৰে প্ৰতিজনৰ হাতৰ ওপৰত ভুকু দি দি গৈ এনেদৰে গায় -

ইচেনি বিচেনি দৰিকা দৌ    মৌ ধাৰা পাৰি থৌ
ৰৌ পৰে চিলা পৰে    হাতে হাতে ধৰা পৰে
ঔ কাকা হাতত যাং    নুনে ভাতে সানি খাং
এল পাতে বেল পাতে    ৰাজা হাতৰ চিৰিঘাট
কাট-কুট তুল হাত

এনেদৰে গোৱাৰ লগে-লগে হাতখন তুলি নিব। এনেকৈ প্ৰতিজনৰ হাত তুলোতে যিজনৰ হাত নুঠাকৈ থাকিব তেৱেঁই কাউৰা হব। অৰ্থাৎ খেলটোৰ ঘাই হব। বাকীবোৰ লুকাব যাব। যেতিয়া বাকীবোৰে কা-কা বা কু-উ-উ-উ বুলি কব। তেতিয়া কাউৰা বা ঘাইজনে লগৰীয়াহঁতক বিচাৰি যাব। যাকে চুব পাৰিব সিয়ে পৰৱৰ্তী সময়ত কাউৰা হব। কাউৰাই চুব নোৱাৰাকৈ যদি বাকী লগৰীয়াবোৰে ঘাই সদৃশ খুটা বা আন যিকোনো চুই দিয়ে তেতিয়া আগৰজনে পুনৰাই ঘাই হব।

**নিচুকনি-গীত ঃ**

নিচুকনি-গীত হ'ল শিশুক লৈ গোৱা গীত। শিশুক ওমলাবলৈ বা টোপনি নিয়াবলৈ গোৱা এই গীতসমূহৰ ভাষা সহজ-সৰল আৰু প্ৰাঞ্জল। শৰণীয়া-কছাৰী সমাজত শিশুসকলক টোপনি নিয়াবলৈ নিচুকনি-গীত গোৱা হয়। উদাহৰণস্বৰূপে -

(১) ধে ধে নান নাকানবি দে    আমাৰ নানা টুম যাব দে
হাপা আছি শিয়াল আছি    কান খাব দে।
অ হাপা শিয়াল নাইভি দে    আমাৰ নানা টুম্ গিছি দে।
হাপা এ শিয়াল নাইভি নাইভি ৰাতি    তোৰ কান কাটি লুগাম বাতি দে।

(২) অ' পকা ধান নাখাবি    ধানখিনি পকলি ডালত পৰি খাবি
ডালডুল ভাঙলি আতাৰ ঘৰত যাবি    আবুই দিব ফুল গামচা আতাই দিব ফুল
ৰাজাৰ বিটিৰ বিয়া হলে কাই বজাব ঢোল।

**ধেমেলীয়া-গীত ঃ**

ধেমেলীয়া-গীতসমূহেও শৰণীয়া-কছাৰী সমাজৰ লোক সাহিত্যৰ দিশলৈ এক উল্লেখযোগ্য বৰঙনি আগবঢ়াই আহিছে। সাধাৰণতে লোকগীতসমূহৰ প্ৰতিটোৰে মাজত কিছু পৰিমাণে ধেমেলীয়া

সুৰ শুনা যায় যদিও এই শ্ৰেণীত অন্তৰ্ভুৰ্ক্ত কৰিব খোজা ধেমেলীয়া গীতসমূহৰ মাজত সম্পূৰ্ণ ৰূপে ধেমেলীয়া সুৰ শুনা যায় ।

গীতসমূহৰ মাজত কেতিয়াবা ডেকা গাভৰুৰ বিৰহ, প্ৰেম, প্ৰীতি, যৌৱন, গৰখীয়া ল'ৰাৰ মনৰ কথাবতৰা প্ৰকাশ হোৱা দেখা যায়। শৰণীয়া-কছাৰী সমাজৰ জন-জীৱনৰ ছবিও এই গীতসমূহৰ মাজেৰে প্ৰকাশিত হোৱা দেখা যায়। ধেমেলীয়া-গীতসমূহ কোনো ধৰণৰ উৎসৱ-অনুষ্ঠানক কেন্দ্ৰ কৰি গোৱা নহয়। গৰখীয়াবোৰে পথাৰত গৰু মেলি গছত উঠি গৰুবোৰ চৰায় থাকে। তেনে সময়তে অকলশৰীয়া ভাব দূৰ কৰিবলৈ অথবা মনৰ আনন্দত এই ধেমেলীয়া গীতসমূহ গায়। গৰখীয়াসকলে গায় কাৰণে ইয়াক **গৰখীয়া-গীত** বুলিও কয়। উদাহৰণস্বৰূপে -

**(১)**

আহা হাই লাওৰি
বাহ কাটা সাউৰি
পাকৰিৰে তুলতে মই সূতা কাটিছিলোং
সুহুৰিয়াই কোনোবা ডেকাই লগাই যায় মাত।

**(২)**

বয়স গেল মোৰ ভটিয়াই
পকিল মাথায় চুলি
বান্দাৰ থুগা দিলি মোক
বিয়া কৰাম কৰাম বুলি।

**(৩)**

চনবাৰীৰ তামোল থোক
দেহা মুল্লীয় নেৰং তোক
কি দিলুং নিদিলুং গাভৰু
কি দিলুং তোকে
ৰাতিও ঘুমতি নাহে
সপোন দেখাং তোকে।
কাকৰাৰে গাতাতে চোং বাহা লয়
তই নিলি যাম মই
কাকো নকৰং ভয়।

**(৪)**

ইঘৰ গিৰি ক'ত গেল
চৰে হাল বাই
মদ দিবা পাং বুলি
বেৰা ভলঙাই চায়
মাইকা বৰাৰ কাণ নাই
মদ দিবাৰ জ্ঞান নাই
হুৰাই ঐ তোক দিখলি মোৰ
দয়া লাগি যায়।

**(৫)**

পৰ্বত পৰ্বত ৰিউৰিয়া পৰ্বত
নামি আহে ছয়কুৰিভোট

**(৬)**

বতা বনত পৰি কান্দে
ৰঙা কুকুৰা

ভোটনি ভোটনি চাবলৈ শুৱনি
কুলিয়া (কলা) পাউৰাৰ ঠট্।

ঝেয়াৰ লগত ঘিলা খেলে
ঝেয়া ডাকুৰা।

(৭)

তুলু লুলু বাহীটো কোনে বাজালা
হাতী তংৰা লাফুটো কোনে ভুলালা
পান খালুং তামুল খালুং
লাগি থাকিল গলত
পানী খাবা গিলুং মই
গহাই ডোঙৰ পাৰত।

(৮)

বেং কান্দে তৰৎ-তৰৎ
চাপ্ৰা মাটিৰ তলত
নতুন আপীৰ ছাওৱা কান্দে
চিৰা কেথাৰ তলত।
অ' কাকা লেওকা
কথা হৈছে টান
গাং বুঢ়াৰ দুটা তিৰি
এটাই কাটে ধান

(৯)

পান খালুং তামুল খালুং
পেলাই আহিলোং পিত
চিলমিলা ঘুম্‌টিত
মাৰি দিলোং গীত

(১০)

ঢুলীয়া ধান পেলালোং
বতাহ কায়া হ'ল
বতাহ কায়াৰ ঝিয়াকটো
বিয়া দিবাৰ হ'ল।

ধেমেলীয়া গীতৰ উপৰিও শৰণীয়া-কছাৰী সমাজত আন এক শ্ৰেণীৰ গীত আছে, যাক লালিলাং গীত বোলে। যিবোৰত ডেকা গাভৰুৰ প্ৰেম-প্ৰীতিৰ বিষয়ে আভাস থকাৰ উপৰিও কিছুমান অশ্লীল শব্দও প্ৰয়োগ হৈ আছে। সেয়েহে সকলো সময়তে লালিলাং গীত গাব যে নালাগে তাক এনেদৰে কৈছে --

"লালিলাং একুৰি
লালিলাং ওঠৰ কুৰি
হাতযোৰ কৰিছে
লালিলাং দুকুৰি
লালিলাং পুতেকে
লালিলাং নামাৰিবি বুলি।"[৭৮]

**কাহিনীমূলক-গীত ঃ**

---

৭৮। শইকীয়া, মহিকান্ত ঃ সংবাদদাতা, শইকীয়াপাৰা, গোৰেশ্বৰ, বয়স - ৮০

কাহিনীমূলক-গীতসমূহৰ মাজেৰে একো একোটা কাহিনীৰ বৰ্ণনা কৰা হয়। কাহিনীমূলক গীতসমূহ কৰুণ ৰসাত্মক প্ৰধান। শৰণীয়া-কছাৰীসকলৰ মাজত দুই এটি কাহিনীমূলক-গীতৰ প্ৰচলন আছে। দিঙৰী ৰজাৰ গীত, থোথা ৰজাৰ গীত আদি উল্লেখযোগ্য কাহিনীমূলক-গীত।

পুৰণিকালত শৰণীয়া-কছাৰীসকলৰ মাজত দিঙৰী নামেৰে এজন ৰজা আছিল। তেওঁৰ ৰাজত্বকালত দেশত খৰাং হোৱাত ঠায়ে-ঠায়ে পুখুৰী খন্দালে। কিন্তু পুখুৰীত পানী নথকাত ৰজা আৰু ৰাইজ বিপাঙত পৰিল। এই সমস্যাৰ সমাধান ৰজাই সপোনত দেখিলে। যদি ৰজাই পুত্ৰ আৰু ৰাণীৰ সহিতে পুখুৰীত পূজা দিয়ে তেতিয়া ৰাইজে পানী পাব। সপোনত দেখামতে ৰজাই পূজা পাতি পুখুৰীৰ তলিত ঠগি দিলে। ৰজাই ৰাণী আৰু পুত্ৰ সহিতে পাৰলৈ উঠি অহাৰ লগে-লগে পুখুৰীৰ পানী শুকাই যায়। ৰজাই পুখুৰীত নামি যোৱাৰ লগে-লগে আকৌ পানী হয়। তেতিয়া ৰজাই বুজিলে যে ৰজাৰ জীৱনটো ৰাইজৰ কল্যানৰ কাৰনেহে। সেয়েহে ৰজাই পুখুৰীত নামি পুণৰাই পাৰলৈ উঠি নাহিল আৰু ৰজা পানীত ডুব গ'ল। ৰজাৰ কৰুণ মৃত্যু দেখি পত্নী আৰু পুত্ৰই কৰুণ বিননিৰে কান্দি আছিল। যিয়ে সকলোৰে চকুত চকুলো আনিছিল। সেই কৰুণ বিননি আজিও শৰণীয়া সমাজত জীয়াই আছে।

সেইদৰে থোথা ৰজা সম্পৰ্কেও বিভিন্ন কাহিনী শৰণীয়া সমাজত প্ৰচলিত হৈ আছে। শৰণীয়া সমাজত থোথা ৰজাৰ কাহিনীটো গীত হিচাপে নহয় কাহিনী হিচাপেহে প্ৰচলিত হৈ আহিছে।

**দিঙৰী ৰজাৰ গীত ঃ**

সাতদিন সাতৰাতি পুখুৰী খান্দিলা তেওঁ ৰজাই পানীকে নাপাইলা।
আই অ' আই, বাই অ' বাই কি হব দুখৰে বিলাই।।
খাৰু গাঠি পালা পানী মোক নিলা টানি
অ' ধৰা ধৰা প্ৰভূসকল শিশু চোৱাল।
আঠুমান পানী পালা মোক নিলা টানি
অ' ধৰা ধৰা প্ৰভূসকল শিশু ছোৱাল
আই অ' আই, বাই অ' বাই বুকুমান পালা পানী
মোক নিলা টানি অ' ধৰা প্ৰভূসকল
শিশু ছোৱাল। আই অ' আই, বাই অ' বাই
গলমান পালা পানী মোক নিলা টানি

অ’ ধৰা ধৰা প্ৰভুসকল শিশু ছোৱাল।

আই অ’ আই, বাই অ’ বাই।[৭৯]

ইয়াৰ সমপৰ্যায়ৰ কাহিনীমূলক গীত অসমৰ আন-আন জাতি-জনগোষ্ঠীৰ মাজতো প্ৰচলিত হৈ থকা দেখা যায়।

**মন্ত্ৰ সম্বন্ধীয় গীত ঃ**

শৰণীয়া সমাজত মন্ত্ৰ সম্বন্ধীয় কিছুমান গীতৰ প্ৰচলন আছে। তেওঁলোকৰ সমাজত বিভিন্ন ধৰ্মীয় আৰু ধৰ্মভিন্ন অনুষ্ঠানত প্ৰয়োজন সাপেক্ষে মন্ত্ৰ উচ্চাৰণ কৰি যাৱতীয় কাৰ্য সমাপন কৰা হয়। যাক মন্ত্ৰ সম্বন্ধীয় গীত বুলি কব পাৰি। ভকত সেৱা পৰম্পৰাত বিভিন্ন কৰ্মৰ মাজত মন্ত্ৰ উচ্চাৰণ কৰা হয়। সেইদৰে চিকাৰ কৰিবলৈ যোৱাৰ সময়তো মহিলাসকলে গা-বন্ধনী মন্ত্ৰ মাতে। ইয়াৰ উপৰিও সৰু ল’ৰা-ছোৱালীৰ মুখী ভাঙিবলৈ, ভুতে লগদিয়া মানুহক জাৰিবলৈও মন্ত্ৰ উচ্চাৰণ কৰা হয়। কেনো শিশুৰ পেট ফুলি ধৰিলে পানী জৰা মন্ত্ৰ উচাচাৰণ কৰা হয় এনেদৰে -

টৌ ধুবা মঙ্গলবাৰ
সবা-সবিনীৰ জনমবাৰ
সবা কাতং সবিনী কাতং
লডা কাতং লডিনী কাতং
ভুত কাতং ভুতুনী কাতং
যখা কাতং যখিনী কাতং
প্ৰেত কাতং প্ৰেতনী কাতং
সবা-সবিনী হৈ গেলং লংকাৰ পাৰ
নাশিবি অমুকাৰ সীমা সঞ্চাৰ
ভাগিলু হুংকাৰ ৰক্ষা কৰা
কামৰূপৰ কামাখ্যা মাই

ইয়াৰ উপৰিও মোহিনী মন্ত্ৰ, ভেলকী মন্ত্ৰ, বেজী জাৰা মন্ত্ৰ, সংস্কাৰৰ লগত জড়িত মন্ত্ৰ, বলি-বিধানৰ

৭৯। বৰুৱা, সোণবৰ ঃ সংবাদদাতা, গোৰেশ্বৰ, বয়স - ৬৫

লগত জড়িত মন্ত্ৰ, ধৰ্মীয় কৰ্মৰ লগত জড়িত মন্ত্ৰ ইত্যাদি বিভিন্ন মন্ত্ৰ পোৱা যায়। এই মন্ত্ৰসমূহেও শৰণীয়া লোক সাহিত্যৰ ভঁৰাল চহকী কৰি তুলিছে।

শৰণীয়া-কছাৰীসকলৰ মাজত প্ৰচলিত লোকগীতসমূহে শৰণীয়া-কছাৰী সমাজৰ বিভিন্ন দিশৰ প্ৰতিফলন ঘটায়। এই গীতসমূহৰ জৰিয়তে সেই সমাজখনৰ মানুহৰ মানসিক ধাৰণা, আৰ্থিক অৱস্থা, মনোৰঞ্জন আদিৰ আভাস পোৱা যায়। সেয়েহে এই লোকগীতসমূহ সমাজৰ প্ৰগতিৰ কাৰণে অতি প্ৰয়োজনীয়।

**৫.১.১.২ লোককথা ঃ**

লোকসাহিত্যৰ আপুৰুগীয়া সম্পদসমূহৰ ভিতৰত লোককথা অন্যতম। লোককথাৰ অৰ্ন্তগত সাথৰ, ফঁকৰা, যোজন-পটন্তৰ আদিৰ গুৰুত্ব লোক সাহিত্যত অপৰিসীম। এইসমূহে লোক সাহিত্যৰ ভঁৰাল সমৃদ্ধিশালী কৰাৰ লগতে সমাজখনৰো পৰিচয় দাঙি ধৰে। শৰণীয়া-কছাৰীসমাজৰ লোক সাহিত্য সাথৰ, ফঁকৰা, যোজনা-পটন্তৰেৰে চহকী। শৰণীয়া-কছাৰীসমাজৰ গাঁৱে-ভূঞে অনেক যোজনা-পটন্তৰ, সাথৰ, ফঁকৰা আদিৰ ব্যৱহাৰ হৈ আহিছে। অতি প্ৰাচীন কালৰে পৰাই এইবোৰৰ ব্যৱহাৰ হৈ আহিছে যদিও কোৱা লোকৰ অভাৱত তথা সংৰক্ষণৰ অভাৱত বহুত যোজনা-পটন্তৰ নিঃচিহ্ন হোৱাৰ উপক্ৰম হৈছে। নতুন প্ৰজন্মৰ ল'ৰা-ছোৱালীয়ে যোজনা মাতিব নাজানে, জানিলেও ফঁকৰা মাতি কথা নকয়। সেয়ে ইয়াৰ প্ৰচলন একেবাৰে কমি গৈছে। শৰণীয়া সমাজত ফঁকৰাতকৈ সাঁথৰ আৰু যোজনা-পটন্তৰৰ অধিক ব্যৱহাৰ দেখা যায়। তেওঁলোকৰ মাজত প্ৰচলিত লোককথা সম্পৰ্কে চমুকৈ তলত আলোচনা কৰা হ'ল -

**যোজনা-পটন্তৰ ঃ**

যোজনা-পটন্তৰসমূহ হৈছে লোক-অভিজ্ঞতাৰ বিচিত্ৰ দিশৰ সাঁচতীয়া ধন। মানুহে বাস্তৱ জীৱনত লাভ কৰা বিভিন্ন অভিজ্ঞতাৰ জ্ঞানৰ ভিত্তিতে ৰচিত হৈছে যোজনা-পটন্তৰসমূহ। এইবোৰ লোকসমাজৰ উমৈহতীয়া ৰচনা কাৰণে ইয়াৰ মাজেৰে সমাজৰ বিভিন্ন দিশৰ প্ৰতিফলন ঘটে। যোজনাবোৰত সাধাৰণতে দুফাকি কথা থাকে। মূল বক্তব্যটো উপস্থাপন কৰিবৰ বাবে ছন্দৰ মিল ঘটাই আন ফাঁকি কথা এনেই সংযোগ কৰা হয়। পটন্তৰবোৰতো সাধাৰণতে স্বভাৱৰ মিল থকা দুটা কথাৰ তুলনা কৰা হয়। শৰণীয়া সমাজত প্ৰচলিত যোজনা-পটন্তৰসমূহৰ বিষয়ে চমুকৈ উল্লেখ কৰা হ'ল -

● ভাত খাবি আহুৰ　　　　　আঞ্জা খাবি শাহুৰ

আহু ধানৰ ভাতৰ সোৱাদ যেনেদৰে সুকীয়া তথা খালে শক্তি বাঢ়ে তেনেদৰে শাহুয়ে ৰন্ধা ভাত-আঞ্জাৰ কথাও সুকীয়া। শাহু থকালৈকে জোঁৱায়েকে যি আদৰ-সাদৰ পায়। শাহুয়েকৰ মৃত্যুৰ পিছত সেই আদৰ নাপায়। অসমীয়া লোকসমাজত প্ৰচলিত ইয়াৰ লগত মিল থকা এটি যোজনা হ'ল -

শাহু থাকে মানে জোৱাই　আই থাকে মানে মোমাই।

● চ'তত কৰে যিয়ে পটা　সি হে বাপেকৰ বেটা।

চত মাহত মৰাপাটৰ খেতি কৰাটো কষ্টকৰ। কিন্তু সেই কষ্টকো নেওচি সন্তানে পটাৰ খেতি কৰে কাৰণ দেউতাকে সেই আৰ্হি দেখুৱাইছে। ডাঙৰৰ পৰা পোৱা সুআদৰ্শই পিছৰ প্ৰজন্মকো যে ভাল কৰে তাকে বুজাইছে।

● পলু পুহি খোৱা লেটা　তোৰে নাম গেল্লা পেটা

বাটে-বাটে ঘুৰি ফুৰা ছাতা।

ইয়াৰ মাজেৰে শৰণীয়া সমাজৰ এলেহুৱা মানুহৰ কষ্টকৰ জীৱনৰ কথা দাঙি ধৰিছে।

● এৰাগুটি পোৰৰ ধন　টকাই কৰে ঝন-ঝন

নাল্‌গে মোক পলু পোহা ধন।

ভালদৰে পলু খেতি কৰিব নোৱাৰিলে যে পলু পোহা ধনেৰে ঘৰ চলাব নোৱাৰে তাকে কৈছে।

● মাছৰ চিকুন লাউ পুঠি　কুৰমাৰ চিকুন শালপতি

সকলো সোৱাদৰ মাজতো কিছুমান বস্তুৰ সোৱাদৰ বিশেষত্ব আছে। সতেজ পুঠিমাছৰ যিটো সোৱাদ, সেয়া ৰৌ-বৰালীটো পোৱা নাযায়। সেইদৰে বৈবাহিক সম্বন্ধৰ পিছত আলহী হোৱা শালপতিৰ আতিথ্য তথা আদৰ বহুত। ইয়াৰ লগত মিল থকা অসমীয়া সাহিত্যৰ এটি পটন্তৰ হ'ল -

সোৱাদৰ চিকুন মৌ　ভাওনাৰ চিকুন চৌ

মাতৰ চিকুন বৌ।

● আহিবি কুৰমা বহিবি শিলত　লৰচৰ কৰিলে মৰিবি কিলত

অতিথিৰ সেৱা কৰাটো গৃহস্থৰ স্বাভাৱিক ধৰ্ম যদিও তেওঁলোকক অধিক স্বাধীনতা দিয়াটো উচিত নহয়। অবাধ স্বাধীনতাই গৃহস্থৰ উপকাৰৰ সলনি অপকাৰ কৰিব পাৰে। ইয়াৰ লগত মিল থকা আন এটি যোজনা হ'ল -　অতিথিক নিদিবা লাই　অতিথিয়ে লাৰি চাৰি খায়।

● কাক্‌ৰাৰ ছানা থলিহি তিনত　তিৰিৰ গালিখাবি তই দিনত

অকৰ্মান্য পুৰুষক বুজাবলৈ এই যোজনা ব্যৱহাৰ কৰা হয়। মাছ মাৰিবলৈ গৈ মাছৰ সলনি কেকোৰাৰ পোৱালি আনিছে। অৰ্থাৎ অপ্ৰয়োজনীয় বস্তু আনিছে।

কুৰ্‌মা আহিলা, কুৰ্‌মাৰ গোন্ধে কুৰ্‌মাক ইতিয়া গোহালীত বান্ধে।

অতিথিক শুশ্ৰূষা কৰিব নজনাৰ ক্ষেত্ৰত আৰু প্ৰয়োজন শেষ হলে মানুহক গুৰুত্ব নিদিয়াৰ ক্ষেত্ৰত এই যোজনাটো ব্যৱহাৰ হয়।

- হাহিলুং মাতিলুং নাথাকিল মনত যিবাখিনি বুজিলুং সিও গেল বনত।

গুৰুত্বহীনতা তথা দায়িত্বহীনতাৰ কথা বুজোৱাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়। ইয়াৰ লগত মিল থকা এটি যোজনা হ'ল -

ৰাতি বায় সাতখন হাল দিনত হলে এখনো নাই।

- চুঙা ডাঙৰ শুক্তি নাই মানুহ ডাঙৰ বুদ্ধি নাই

কামত নহা বস্তুৰ কথা বুজাবলৈ ইয়াক ব্যৱহাৰ কৰা হয়। বাহৰ চুঙাত সাধাৰণতে শুক্তি বা শুকান বস্তু থোৱা হয়। ডাঙৰ চুঙাত বহুত শুকান বস্তু থব পাৰি। কিন্তু ডাঙৰ চুঙা হলে তাত যদি শুক্তি নাথাকে তেনে ডাঙৰ চুঙাৰ প্ৰয়োজন নাই। ঠিক তেনেদৰে মানুহ ডাঙৰ হলে বুদ্ধিহীন হলেও কাম নাই।

- বৰা পুহুং নুপুহুং পেট পাখেৰি যি এটা তিৰি পালুং ঘুমাই গাদুৰি

পেট পাখেৰি গাহৰিৰ সাধাৰণতে ফোপনি বেছি হয়। একো কামৰ নহয়। ঠিক তেনেদৰে বিয়া কৰাই অনা তিৰিটো ঘুমাই গাদুৰি বুলি কওঁতাজনে আক্ষেপ কৰিছে।

- নাখাং বিয়ানি নুকুতুং কচু সাতবাৰ খাই লুচুৰ-লুচুৰ

নিজে পৰিশ্ৰম নকৰি আনৰ ওপৰত খাব বিচৰাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়।

- বনিয়াৰ দিম-দিম কমাৰৰ কালি

দোমৰ বৌ মাছটো পালি যদি খালি

দিবলগীয়া বস্তু এটা আজি দিম কালি দিম বুলি পিছুৱাই থকাৰ ক্ষেত্ৰত বুজোৱা হয়। লগতে বনিয়া, কমাৰ আৰু দোমৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ কথাও প্ৰকাশ কৰিছে।

- কথা বতৰাই দিনটো ম'হ মাৰে শিংটো

বীৰত্ব কথাত নহয় কামতহে প্ৰকাশ পাব লাগে। ম'হ মাৰিব গলে শিঙত মাৰিলে নমৰে। সেয়েহে কথাৰে নহয় কামেৰেহে পৰিচয় দিব লাগে।

- ৰান্ধনিৰ বেকা মুখ খাইনো পাম কি সুখ।

ৰান্ধনীয়ে যদি মনত আপোন-পৰ ভাব লয় তেন্তে খাওঁতাজনে খাই সুখ নাপায়।

- ঢেকী দিয়াও হওঁক আম্‌ৰা চুহাও হওঁক।

দুটা কাম একেলগে কৰাৰ ক্ষেত্ৰত এইটো ব্যৱহাৰ কৰা হয়।

- নিজেও গাইমুৰা আনকো কৰে ছাইমুৰা

নষ্ট চৰিত্ৰৰ ব্যক্তিয়ে আনকো নষ্ট চৰিত্ৰৰ কৰি তুলিবলৈ যোৱাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়।

- য'তে যোৱা যুগী ত'তে কুব-কুবী।

নষ্ট চৰিত্ৰৰ ব্যক্তি যোগী হোৱাৰ যোগ্যতা যে নাই তাকে বুজাইছে।

- চকুত সোঁমাল কুটা কান্‌বাৰ হল চুটা

সুবিধাবাদী ব্যক্তিসকলে যে যতে সুবিধা পায় তাতে সুবিধাৰ সদ্ব্যৱহাৰ কৰে তাকে বুজাইছে। চকুত কুটা পৰিলে চকুৰ পানী ওলায়। কিন্তু সেই অজুহাতত কান্দা ব্যক্তি সুবিধাবাদী।

- খবলা খবলা পানী খবলা কালি কাটা তামোলখন সোহ নবলা।

শৰণীয়া-কছাৰীসকল সাধাৰণতে অতিথি পৰায়ণ হয়। যদি কোনো এঘৰে অতিথিক আপ্যায়ন কৰিব নোৱাৰে তেতিয়া সেইঘৰ মানুহক বিদ্ৰুপ কৰি এনেদৰে কোৱা হয়।

- যিয়ে কৰে পাপ, সাত বেটাৰ বাপ যিয়ে কৰে পূণ্য, মাজে-মাজে শূণ্য।

কওঁতাই এনেদৰে আক্ষেপ কৰি কৈছে যে পাপ কৰিলে ভাল ফল হয়। আৰু পূণ্য কৰিলে পদে-পদে কষ্ট পায়।

- এটা গৰু যাৰ সাং পথাৰে তাৰ

অতিপাত মৰমত যে সন্তান বা যিকোনো ব্যক্তি বিপথে যায় তাকে কৈছে।

- গুদা ধানৰ লদা পিঠা ধিম্‌নি তিৰিৰ চব মিঠা।

ভালদৰে নুশুকুৰা ধানৰ পিঠা যে ভাল নহয় সেইদৰে উপযাচি আহি গিৰিয়েকৰ ঘৰ সুমোৱা তিৰোতাও যে ভাল নহয় তাকে বুজাইছে।

- দেউতাৰক কগে যা মোক মাৰক দংচা দংচি তিনিটা অতিথি লঘোন পৰক।

অতিথিক শুশ্ৰূষা কৰাৰ সম্বল নাথাকিলে গৃহস্থীয়ে নিজৰ ক্ষতি কৰি হলেও অতিথিক খেদিবলৈ বিচাৰে। ইয়াৰ উপৰিও শৰণীয়া সমাজত প্ৰচলিত আন কেইটামান যোজনা-পটন্তৰ হ'ল -

- কুৰিয়া মুৰিয়া তাক নাখায় মুনহিয়া
  কঠলু মঠলু তাক নাখায় জিয়া চলু।

- এই জোৰৌ নকৰ খৰৌ মৰৌ  তিনি দহং ত্ৰিছ ঘন গাথি মিছা।
- কালি দিনৰ চলি বন্নি ভাত খায়  বাপেকক খৰা শিয়ালে খায়।
- হাতো কাজি মুখো কাজি  ঢেঁকী থোৰাৰে বটে পাজি।
- আনৰ কপালত হাতী ঘোৰা  আমাৰ কপালত ঢেঁকী থোৰা।
- নিজৰ কথা নকবি পৰক  কথা হয় লৰক ফৰক
- খৈৰা কাঠৰ ঢেকীয়ে  বানী মৰে ধানক।
- ঢেকী কেটেৰা মহুৰা বাৰী  বব নাজনা শোৰা ধাৰী
- শুৰাই থব তোক তিৰিয়ে  মেখেলা চিৰা পাৰি।

শৰণীয়া সমাজত প্ৰচলিত এই যোজনা-পটন্তৰসমূহে শৰণীয়া সমাজৰ লোক সাহিত্যৰ ভঁৰাল চহকী কৰি তুলিছে। লগতে তেওঁলোকৰ সামাজিক, অৰ্থনৈতিক, মানসিক অৱস্থাৰ বিষয়েও বৰ্ণনা কৰিছে।

**সাঁথৰ ঃ** লোক সাহিত্যৰ এটি অন্যতম আপুৰুগীয়া সম্পদ হৈছে সাঁথৰ। সাঁথৰ শব্দৰ অভিধানিক অৰ্থ হৈছে ‘প্ৰশ্ন শুনি য’ত সাতুৰি অৰ্থ বিচাৰিব লাগে সেয়ে সাঁথৰ’। সাঁথৰসমূহত এটি প্ৰশ্ন সোধা হয়। প্ৰশ্নটো আওপকীয়াকৈ দিয়া হয়। প্ৰশ্ন শুনি উত্তৰ উলিয়াব লাগে। উত্তৰ উলিয়াবলৈ উত্তৰ দিওঁতাজনে অলপ সময় ভাবিবলগীয়া হয়। ৰহস্যৰ জাল ভাঙি সাঁথৰৰ উত্তৰ উলিয়াবলৈ বিশেষ বুদ্ধিমত্তাৰ প্ৰয়োজন। সকলো মানুহৰ মাজতে সাঁথৰৰ জনপ্ৰিয়তা অধিক। ই অতি আমোদজনক কাৰণে শুনোতাই শুনি ভাল পায় আৰু কওঁতাইও কৈ ভাল পায়। শৰণীয়া-কছাৰীসমাজৰ লোক সাহিত্যও সাঁথৰেৰে চহকী। সাঁথৰক তেওঁলোকে দিস্তান বুলিও কয়। বয়সীয়াল ব্যক্তিয়ে কথাই পতি মিলাকৈ সাঁথৰ মাতে। তেওঁলোকে শিশুসকলক সাঁথৰ সুধি সিহঁতৰ বুদ্ধিমত্তাৰ পৰিচয় লোৱাৰ লগতে সিহঁতক মনোৰঞ্জনো দিয়ে। শৰণীয়া সমাজত প্ৰচলিত কেইটামান সাঁথৰৰ উদাহৰণ তলত দাঙি ধৰা হ’ল -

- মোমাইহঁতৰ বাৰীত গলো  সোমাব পাৰ্লুং ওলাব নুৰলুং ।

  উত্তৰ- চেপা

- মোমাইহঁতৰ বাৰীত গলো  খুল্বা নৰা টেমা এটা পালো।

  উত্তৰ - কনী

- মোমাইহঁতৰ বাৰীত গলো  ঘন গাথিৰ টোকান এডাল পালো।

  উত্তৰ ঃ জুইৰ হোতা

- পেতেদি খাই  মুখেদি হাগে।

উত্তৰ ঃ চেপা

● মাইকে আছে বুৰহী বায় পুতেকে আছে স্বৰ্গ চায়।

উত্তৰ ঃ বাঁহৰ গজালি

● ৰজা হাতোৰ কুলী গায় ঘাটে ঘাটে পানী খায়।

উত্তৰ ঃ বৰশী।

● ৰজা হাতোৰ কুলী গায় দুবাই মানে ওলাই যায়।

উত্তৰ ঃ মদৰ হাৰী

● মায়াকটো জাপৰী জুপুৰা পুতেকটো সোনৰ টুপৰা।

উত্তৰ ঃ ঘমৰু, বাঙী

● কৰ কটাং, মৰ কটাং ভাই ইটো দিস্তান কবা নৰ্‌লি গালত চৰ খায়।

উত্তৰ ঃ শুকান মাছ

● এং এং এং এংটো ধুৰ্‌বা নৰ্‌লি হাজাৰ টকা দেং।

উত্তৰ ঃ ছায়া

● উপি উপি উপি বাটত আছে চুপি।

উত্তৰ ঃ চিনাজোক

● নাউমান টকচটু, টপো মালি মৰে বাচংতে কুটুংতে, এক চাংলি পৰে।

উত্তৰ ঃ কপাহ বা তুলা

● চিল চিল দুমৰু বিল বিল পাত
সোন যেন টেকুলি মানিক হেন দাঁত।

উত্তৰ ঃ ডালিম

● ইনো ইনো ইনো ধৰিবাৰ নাই থেনু।

উত্তৰ ঃ কনী

● নতুনতে থেলথেলীয়া পুৰত হলি টান
বছৰে বছৰে তাৰ কাটি থাকে কান।

উত্তৰ ঃ পথাৰৰ আলি

● হাবিৰ মাজত তাঁতৰ খুটা গায় দুষ্ট গাখীৰ মিঠা।

উত্তৰ ঃ মৌ

- সৌ ধাৰা পাৰিছে  শুংতা নাই
  সৌ ফুল ফুলিছে  চিঙংতা নাই।

উত্তৰ ঃ সাগৰ আৰু আকাশৰ তৰা

শাৰণীয়া-কছাৰীসকলৰ নতুন প্ৰজন্মৰ মাজত এই দিস্তানবোৰৰ প্ৰচলন কম। বয়োবৃদ্ধ ব্যক্তিসকলৰ মাজত এইবোৰৰ এতিয়াও প্ৰচলন আছে। এই সাঁথৰবোৰে চিন্তাশক্তিৰ বিকাশ সাধন কৰে। উপযুক্ত সংৰক্ষণে এই সাঁথৰবোৰ বৰ্তাই ৰাখিব পাৰিব।

**৫.১.১.৩ সাধুকথা ঃ**

সাধুকথাবোৰ হৈছে লোকজীৱনৰ এক জীৱন্ত প্ৰতিচ্ছবি। ইয়াত লোকজীৱনৰ চিন্তা, আদৰ্শ, বুদ্ধিদীপ্ততা, মানসিক ধাৰণা, কল্পনা, লোক-বিশ্বাস, লোকাচাৰ আদিৰ সুন্দৰ প্ৰকাশ ঘটে। সাধুকথাত জনজীৱনৰ নানাৰঙী বিচিত্ৰ অভিজ্ঞতাৰ লগতে কল্পনা, বিশ্বাস আৰু মনস্তাত্বিক ধাৰণা থুপ খাই আছে।

শৰণীয়া সমাজতো জীৱ-জন্তু, চৰাই তথা প্ৰকৃতি সম্পৰ্কীয় অনেক সাধুকথা আছে। যিবোৰে শিশুমনক সহজে প্ৰভাবিত কৰে। অলৌকিকতা সাধুসমূহৰ অন্যতম বৈশিষ্ট্য। ৰসাল আৰু খুহুতীয়া কথাৰে সাধুকথাবোৰ অধিক মনোগ্ৰাহী হয়। শৰণীয়া-কছাৰীসকলৰ লোক সাহিত্যসমূহ বাৰেবৰণীয়া। এই সাহিত্যসমূহ প্ৰাণ-প্ৰাচুৰ্যৰে ভৰপুৰ। লোক সাহিত্যসমূহৰ জৰিয়তেই শৰণীয়াসকলে নিজৰ অস্তিত্ব আনৰ ওচৰত বৰ্তাই ৰাখিব পাৰিছে। কিন্তু সময়ৰ গতিত এইবোৰ পাহৰণিৰ গৰ্ভত পৰাৰ উপক্ৰম হৈছে। সেয়ে ইয়াৰ সঠিক মূল্যায়ন আৰু সংৰক্ষণৰ প্ৰয়োজনীয়তা অধিক। শৰণীয়া সমাজত সাজপানীৰ ব্যৱহাৰ যে প্ৰাচীন কালৰেপৰাই আছিল সেয়া সাধুকথাসমূহৰ মাজেৰে গম পোৱা যায়। বহুতো সাধুকথাৰ মাজত সাজপানী তৈয়াৰ কৰাৰ বিষয়ে উল্লেখ আছে।